# তেJASWINI

EDITOR: PARANGITA HAZARIKA

ISSUE II, 2024-2025



KHOWANG COLLEGE, KHOWANG GHAT DIBRUGARH

তেজস্বিনী...
প্ৰজ্ঞাৰ দুপাখিৰে, সৌৰ্য,
স্থৈৰ্য সাধনালব্ধ যোগ্যতাৰে .......



# TEJASWINI

## E-MAGAZINE OF THE GIRLS' COMMON ROOM

**EDITION II, 2024-2025**

***EDITOR : PARANGITA HAZARIKA***

# EDITORIAL BOARD


**CHIEF ADVISORS:** **Dr. Trailokya Dehingia**
*Principal, Khowang College*

**Dipali Saikia,**
*Vice Principal,*
*Khowang College*

**ADVISORS :** **Bornali Gogoi**
*Assistant Professor,*
*Department of Education*

**Daisy priya Gogoi**
*Assistant Professor,*
*Department of English*

**Pallabi Hazarika**
*Assistant Professor,*
*Department of Sociology*

**Rose Rani Mahanta**
*Assistant Professor,*
*Department of Commerce*

**Teacher In- Charge :** Dr. Pallavi Handique
**Editor :** Parangita Hazarika
**Section Editor :** Ghoranjyoti Chelleng , Nikhita Das
**Cover Design:** Lucky Borah
**Cover Title Designer :** Ghoranjyoti Chelleng

**Students Members:**

Binita Benerjee
Lucky Borah
Jayeeta Sonowal
Sarbalata Haldor
Diya Dey

## অধ্যক্ষ মহোদয়ৰ একলম




খোৱাং মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ ই-আলোচনী 'তেজস্বিনী'য়ে দ্বিতীয় প্ৰকাশ পাব বুলি জানি নথৈ আনন্দিত হৈছোঁ। ছাত্ৰ-ছাত্ৰীৰ এনে বৌদ্ধিক চিন্তা-চৰ্চা আৰু সৃজনীশীল সৃষ্টিৰাজিয়ে মহাবিদ্যালয়খনত এক যোগাত্মক পৰিৱেশ সৃষ্টি কৰাত সহায় কৰিব বুলি আমি আশাবাদী। আশা কৰিছোঁ এই ই-আলোচনীখনত ছাত্ৰ-ছাত্ৰীৰ নিজস্ব প্ৰতিভা আৰু সৃষ্টিশীল চিন্তাৰ বহিঃপ্ৰকাশ ঘটিছে। এনে বৌদ্ধিক চিন্তা-চৰ্চাই মহাবিদ্যালয়খনত এক শৈক্ষিক বাতাবৰণ গঢ়ি তোলাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ স্বকীয় চিন্তাৰ বিকাশৰ ক্ষেত্ৰত সহায়ক হ'ব।

শেষত ছাত্ৰী জিৰণি কোঠাৰ ই-আলোচনী 'তেজস্বিনী'ৰ দীৰ্ঘায়ু হওক তাৰ আশাৰে আলোচনীখন প্ৰস্তুত কৰা সম্পাদিকা, তত্ত্বাৱধায়কৰ লগতে প্ৰকাশৰ লগত জড়িত সকলো সদস্যলৈ আন্তৰিক শুভেচ্ছা যাচিলোঁ।

অধ্যক্ষ

ডo ত্ৰৈলোক্য দিহিঙীয়া

খোৱাং মহাবিদ্যালয়

# উপাধ্যক্ষা মহোদয়াৰ একলম



সময় গতিশীল, ই পাখি লগা কাড়ঁৰ দৰে সময়ৰ গতিৰ সৈতে দৌৰিব পাৰিলেই বিকাশৰ সোপানত দোপত দোপে আগবঢ়াত একোৱেই হেঙাৰ হ'ব নোৱাৰে। মই অতি সুখী যে খোৱাং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ "ছাত্ৰী জিৰণি চ'ৰা" বিভাগৰ দ্বাৰা দ্বিতীয় সংখ্যাৰ ই-আলোচনী "তেজস্বিনী"ৰ প্ৰকাশৰ যো-জা কৰা হৈছে। বিজ্ঞান-প্ৰযুক্তিৰ অগ্ৰগতিৰ সৈতে খোজ মিলাই ন ন ব্যৱস্থাৰে যি বৌদ্ধিক বিকাশৰ মঞ্চই ভুমুকি মাৰিছে , তাৰেই প্ৰতিফলন হৈছে ই-আলোচনী। গতিকে দ্বিতীয় সংখ্যা ই-আলোচনী "তেজস্বিনী" ৰ প্ৰকাশৰ প্ৰাক্ মুহূৰ্তত মোৰ অফুৰন্ত শুভ-কামনা জনালোঁ। লগতে তত্বাৱধায়িকা ড° পল্লৱী সন্দিকৈ আৰু সম্পাদিকালৈ তেওঁলোকৰ মহৎ প্ৰচেষ্টাৰ বাবে কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

"তেজস্বিনী" দীৰ্ঘায়ু হওঁক।

উপাধ্যক্ষা
দীপালি শইকীয়া
খোৱাং মহাবিদ্যালয়

# সম্পাদকীয় একলম

একবিংশ শতিকাৰ অসমীয়া সাহিত্যত মহিলাৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। বিগত কিছু দশকৰ পৰা মহিলা লেখিকাসকলে অসমীয়া সাহিত্যক এক নতুন দিশ আৰু পৰিচয় দান কৰিছে। তেওঁলোকৰ লেখনীৰ মাজত সমাজৰ বিভিন্ন সমস্যা, নাৰী-জীৱনৰ সংগ্ৰাম, আশা-আকাংক্ষা, সমাজৰ কুসংস্কাৰ, অন্ধবিশ্বাস, নাৰীবাদ আৰু মানৱতাবাদ সকলো বিষয় সজীৱ ৰূপত প্ৰতিফলিত হৈছে। তেওঁলোকে নিজৰ সাহিত্যৰ মাজেৰে নাৰীৰ অধিকাৰ, নাৰীৰ মুক্তি, সমাজত নাৰীৰ অৱস্থান, আদিবাসী-জনজাতি বিষয়, আত্ম-পৰিচয় আদি বিষয়সমূহৰ ওপৰত সুন্দৰকৈ আলোকপাত কৰিছে। তেওঁলোকৰ সৃষ্টিত আধুনিক যুগৰ চিন্তা-চেতনাৰ আত্মিক উৎকৰ্ষ, সামাজিক মূল্যবোধ আৰু নাৰীৰ স্বাধীনতাৰ কথা স্পষ্টভাৱে প্ৰকাশ পাইছে।

বিগত বৰ্ষৰ দৰেই এইবাৰো আমি ‘তেজস্বিনী’ লিখিবলৈ “একবিংশ শতিকাৰ অসমীয়া সাহিত্যত মহিলাসকলৰ ভূমিকা” বিষয়টো মূল বিষয় হিচাপে বাচনি কৰি ছাত্ৰীসকলৰ মাজলৈ আগবঢ়াই দিলোঁ আৰু ছাত্ৰীসকলৰ পৰা লাভ কৰা সঁহাৰিৰ ফলত ‘তেজস্বিনী’ মহাবিদ্যালয়ত পুনৰ প্ৰাণ পাই উঠাত সহায় হোৱাৰ বাবে তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰিছোঁ ।
‘তেজস্বিনী’ প্ৰকাশত উৎসাহ আৰু অনুপ্ৰেৰণা যোগাৱা খোৱাং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ত্ৰৈলোক্য দিহিঙ্গীয়া ছাৰ তথা ছাত্ৰ একতা সভাৰ সম্পাদক প্ৰদীপ চুতীয়া ছাৰৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰম। লগতে আৰম্ভণিৰে পৰা সকলো কাৰ্যসূচী সুচাৰুৰূপে পালন কৰি আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অহা ছাত্ৰী জিৰণি কোঠাৰ তত্ত্বাৱধায়িকা ড° পল্লৱী সন্দিকৈ বাইদেউৰ ওচৰতো মই চিৰ কৃতজ্ঞ হৈ ৰম। ইয়াৰোপৰি ‘তেজস্বিনী’ ৰ অন্তৰালত থকা সন্মানীয় শিক্ষাগুৰু, সহপাঠী আৰু কৰ্মকৰ্তালৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।





সম্পাদিকা

**পাৰঙ্গীতা হাজৰীকা**

# সূচীপত্ৰ


1. একবিংশ শতিকাৰ অসমীয়া উপন্যাস সাহিত্যলৈ মহিলা উপন্যাসিকাৰ ভূমিকা — পূৰ্ণিমা ৰায়, অসমীয়া বিভাগ, পঞ্চম ষাণ্মাসিক (1-2)

2. নাৰী চেতনা — অপৰ্না ভৰালী, উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (3)

3. মাকাম সোণৰ ঘোঁৰা— তৰালি গগৈ, শিক্ষাতত্ত্ব বিভাগ, প্ৰথম ষাণ্মাসিক (4)

4.একবিংশ শতিকাৰ অসমীয়া উপন্যাস সাহিত্যলৈ মহিলা উপন্যাসিকৰ অৱদান — যদুমণি দাস, অসমীয়া বিভাগ, প্ৰথম ষাণ্মাসিক (5-6)

5. মোৰ দৃষ্টিকোণৰ ফালৰ পৰা নাহৰৰ নিৰিবিলি ছাঁ — ভাস্বতী দত্ত, ইংৰাজী বিভাগ, প্ৰথম ষাণ্মাসিক (7-8)

6. মনালিছা শইকীয়াৰ “আন্দোলিত আকাশ”— নিশিতা দাস, অৰ্থনীতি বিভাগ, পঞ্চম ষাণ্মাসিক (9)

7. বাসনাহীনা: এক নৱতম সংযোজন — ইলা বৰা, প্ৰাক্তন ছাত্ৰী, অসমীয়া বিভাগ (10-11)

৪.নাহৰৰ নিৰিবিলি ছাঃ এক গভীৰ সমালোচনামূলক অৱলোকন— তৃষ্ণা বৰা, শিক্ষাতত্ত্ব বিভাগ, পঞ্চম ষাণ্মাসিক (12)

9. জুৰি বৰা বৰগোহাঞিৰ অসমীয়া সাহিত্যত ভূমিকা— জুৰি কলিতা, উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (13)

10. মাকাম: গ্ৰন্থ আলোচনা— নিহাৰিকা শইকীয়া, ৰাজনীতি বিজ্ঞান বিভাগ, প্ৰথম ষাণ্মাসিক (14)

11. Shaping Assamese Literature Role of Women Novelist — Shelly Bedia, Department of English, 5th Semester. (15-16)

12. Problems of Women Novelists in 21st Century Assamese Fiction— Dibyajyoti Gogoi, Department of Education, 5th Semester. (17-19)

13. অনুৰাধা শৰ্মা পূজাৰী —নিতাশ্ৰী বৰা, প্ৰাক্তন ছাত্ৰী, অসমীয়া বিভাগ (20-21)

# কবিতাৰ শিতান

1. অমাৱস্যাৰ অন্ধকাৰত নাৰী— স্বপ্নীল অঞ্জন দাস, উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিক (22)
2. তুমি নাৰী— বৰষা দাস, ৰাজনীতি বিজ্ঞান বিভাগ, তৃতীয় ষাণ্মাসিক (23)
3. নাৰী জীৱন—অৰ্পনা ভৰালী, উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক(24)
4. Her Pen, Her Dawn— Dibyajyoti Gogoi , BA 5th Semester, Department of Education (25)
5.The Heart of Our Days— Arpita Dey, Department of English, BA 5th Semester (26)

# অন্যান্য শিতান

1.নেপালৰ ২০২৫ চনৰ ‘জেন-জি ’ (Gen-Z) বিদ্রোহ— পৰাণ বেজবৰুৱা, ৰাজনীতি বিজ্ঞান বিভাগ, তৃতীয় ষাণ্মাসিক (27-28)
2.কৃত্ৰিম বুদ্ধিমত্তা আৰু যুৱ প্ৰজন্ম— ঘোৰণজ্যোতি চেলেং, ৰাজনীতি বিজ্ঞান বিভাগ, পঞ্চম ষাণ্মাসিক (29-30)
3.হালধীয়া চৰায়ে বাওধান খায়—হিমাশ্ৰী বৰা, ৰাজনীতি বিজ্ঞান বিভাগ, প্ৰথম ষাণ্মাসিক ( 31)
4.‘উচ্চাকাংক্ষা’—বৰষা ফুকন, প্ৰথম ষাণ্মাসিক, ইংৰাজী বিভাগ ( 32)

# শিক্ষকৰ শিতান

1. অনুৰাধা শৰ্মা পূজাৰীৰ উপন্যাসত প্ৰতিফলিত বিশেষত্ব এক চমু পৰ্যালোচনা
—চুইটী বিশ্বাস, অতিথি অধ্যাপক (33-34)

2. সঞ্জীৱনী আশা— জোনালী দেৱী, প্ৰাক্তন অধ্যাপিকা, অৰ্থনীতি বিভাগ (35)

3. চন্দনা গোস্বামীৰ ‘পাটকাইৰ ইপাৰে মোৰ দেশ’ গ্ৰন্থৰ বিষয়বস্তু আৰু উপন্যাসৰ নামকৰণৰ তাৎপৰ্য— ড° পল্লৱী সন্দিকৈ, সহকাৰী অধ্যাপক, অসমীয়া বিভাগ (36-37)

# একবিংশ শতিকাৰ অসমীয়া উপন্যাস সাহিত্যলৈ মহিলা ঔপন্যাসিক ভূমিকা

স্বাধীনতা লাভৰ আগতে মহিলা লেখকৰ সংখ্যা নিচেই কম আছিল, অসমীয়া উপন্যাস জন্মলগ্নতে এগৰাকী মহিলাৰ নাম জড়িত হৈ আছে। তেওঁ আছিল আনন্দৰাম ঢেকিয়াল ফুকনৰ জীয়ৰী পদ্মাৱতী দেৱী ফুকননী। ঊনবিংশ শতিকাৰ আশীৰ দশকত তেওঁ ৰচনা কৰা 'সুৰ্ধমাৰ-উপাখ্যান' খন প্ৰকৃত উপন্যাসৰ স্তৰলৈ উঠা নাই যদিও উপন্যাসৰ ওচৰচপা পুথি। ইয়াৰ পাছত বিংশ শতিকাৰ প্ৰথমাৰ্ধত দুগৰাকী মহিলাই উপন্যাস ৰচনাত হাত দিছিল। প্ৰথমগৰাকী আছিল অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্যৰ জীয়ৰী স্নেহলতা দেৱী আৰু আন গৰাকী আছিল চন্দ্ৰপ্ৰভা শইকীয়ানী। স্নেহলতা দেৱীৰ 'বীণা' আৰু চন্দ্ৰপ্ৰভাৰ 'পিতৃভিঠা' শতিকাটোৰ দ্বিতীয় দশকৰ ৰচনা। দুয়োখনৰে কাহিনী বিন্যাস অত্যন্ত শিথিল আৰু ঘটনা-প্ৰৱাহো ঠায়ে ঠায়ে অস্বাভাৱিক।

পঞ্চাশৰ দশকত দুগৰাকী মহিলাই ঔপন্যাসিকৰূপে আত্মপ্ৰকাশ কৰে হিৰণ্ময়ী দেৱী আৰু শুচিব্ৰতা ৰায়চৌধুৰী। হিৰণ্ময়ী দেৱীৰ দেৱীৰ 'জীৱন সংগ্ৰাম' আৰু শুচিব্ৰতা ৰায়চৌধুৰীৰ 'বা-মাৰলি' এই সময়ছোৱাত দুখন উপন্যাস যদিও সাহিত্যকৰ্ম হিচাপে উপন্যাস দুখন দুৰ্বল। ষাঠি আৰু সত্তৰৰ দশকত কেইবাগৰাকীও প্ৰতিভাশালী মহিলাৰ আৰ্বিভাৱে অসমীয়া উপন্যাসক এক নতুন মাত্ৰা প্ৰদান কৰিলে। তেওলোকৰ ভিতৰত নীলিমা দত্ত, নিৰুপমা বৰগগোহাঞি আৰু মামণি ৰয়ছম গোস্বামীৰ নাম মনলৈ আহে। তেওঁলোকৰ সৈতে নাম ল'ব পাৰি প্ৰবীণা শইকীয়াৰো। নীলিমা দত্ত প্ৰগতিবাদী চিন্তাৰে অনুপ্ৰাণিত। তেওঁৰ উপন্যাস 'আকাশবন্তিত' এই ধৰণৰ চিন্তাৰ প্ৰতিফলন ঘটিছে যদিও তেওঁৰ পৰৱৰ্তী উপন্যাসকেইখন সেই পৰ্যায়লৈ উন্নীত নহ'ল। নিৰুপমা বৰগোহাঞিয়ে নাৰীৰ মুক্তি আৰু অধিকাৰৰ বাবে মাত মাতি আহিছে, নাৰীবাদী চিন্তাই তেওঁৰ সৰহখিনি উপন্যাসতে প্ৰধান ভূমিকা গ্ৰহণ কৰিছে। তেওঁৰ কেইখনমান উপন্যাস হ''ল 'সেই নদী নিৰৱধি', 'ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ', 'অন্য জীৱন' আৰু 'অভিযাত্ৰী'।

অসমীয়া উপন্যাসক এক বিশেষ মাত্ৰা প্ৰদান কৰা এগৰাকী বৰেণ্য লেখিকা হ'ল মামণি ৰয়ছম গোস্বামী। সমাজৰ কু-সংস্কাৰ, অন্ধবিশ্বাস আৰু ৰক্ষণশীলতাই মানুহক কিদৰে মায়া-মমতাহীন কৰি তোলে, দৰিদ্ৰতাই পীড়া কৰা নাৰীৰ জীৱন কিদৰে দুৰ্বিসহ হৈ উঠে; অন্ধ পৰম্পৰাই বিধৱা নাৰীৰ জীৱন আশা-আকাংক্ষা, কামনা-বাসনা কিদৰে ধূলিৰ লগত মিহলি কৰি দিয়ে তাৰ ছবি দাঙি ধৰিছে গোস্বামীৰ উপন্যাসত। মামণি ৰয়ছম গোস্বামীক অনেকে নাৰীবাদী লেখিকা বুলিও কয়। কিন্তু নাৰীবাদী বুলি কোৱাতকৈ মানৱতাবাদী বুলি ক'লেহে লেখিকাগৰাকীৰ প্ৰতি সুবিচাৰ কৰা হ'ব। প্ৰবীণা শইকীয়াৰ উপন্যাসসমূহ প্ৰায় ৰোমাণ্টিকধৰ্মী। কাহিনীৰ শিথিলতাই তেওঁৰ উপন্যাসৰ কলাত্মক দিশৰ প্ৰতিফলনত বাধা দিছে বুলি ক'ব পাৰি। আশী আৰু নৱৈৰ দশকত আত্মপ্ৰকাশ কৰা মহিলা লেখকৰ ভিতৰত আছে স্বৰ্ণ বৰা, অৰূপা পটংগীয়া কলিতা, পূৰবী বৰমুদৈ, ৰীতা চৌধুৰী, মণিকুন্তলা ভট্টাচাৰ্য, অনুৰাধা শৰ্মা পূজাৰী, গীতালি বৰা ইত্যাদি।

**জনজাতীয় জীৱনৰ পটভূমিত লিখা অসমীয়া উপন্যাসকেইখনত সজীৱ ৰূপত একবিংশ শতিকাৰ অসমীয়া উপন্যাস সাহিত্যলৈ মহিলা ঔপন্যাসিক ভূমিকা :**

স্বাধীনতা লাভৰ আগতে মহিলা লেখকৰ সংখ্যা নিচেই কম আছিল, অসমীয়া উপন্যাস জন্মলগ্নতে এগৰাকী মহিলাৰ নাম জড়িত হৈ আছে। তেওঁ আছিল আনন্দৰাম ঢেকিয়াল ফুকনৰ জীয়ৰী পদ্মাৱতী দেৱী ফুকননী। ঊনবিংশ শতিকাৰ আশীৰ দশকত তেওঁ ৰচনা কৰা 'সুৰ্ধমাৰ-উপাখ্যান' খন প্ৰকৃত উপন্যাসৰ স্তৰলৈ উঠা নাই যদিও উপন্যাসৰ ওচৰচপা পুথি। ইয়াৰ পাছত বিংশ শতিকাৰ প্ৰথমাৰ্ধত দুগৰাকী মহিলাই উপন্যাস ৰচনাত হাত দিছিল। প্ৰথমগৰাকী আছিল অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্যৰ জীয়ৰী স্নেহলতা দেৱী আৰু আন গৰাকী আছিল চন্দ্ৰপ্ৰভা শইকীয়ানী। স্নেহলতা দেৱীৰ 'বীণা' আৰু চন্দ্ৰপ্ৰভাৰ 'পিতৃভিঠা' শতিকাটোৰ দ্বিতীয় দশকৰ ৰচনা। দুয়োখনৰে কাহিনী বিন্যাস অত্যন্ত শিথিল আৰু ঘটনা-প্ৰৱাহো ঠায়ে ঠায়ে অস্বাভাৱিক। পঞ্চাশৰ দশকত দুগৰাকী মহিলাই ঔপন্যাসিকৰূপে আত্মপ্ৰকাশ কৰে হিৰণ্ময়ী দেৱী আৰু শুচিব্ৰতা ৰায়চৌধুৰী । হিৰণ্ময়ী দেৱীৰ দেৱীৰ 'জীৱন সংগ্ৰাম' আৰু শুচিব্ৰতা ৰায়চৌধুৰীৰ 'বা-মাৰলি' এই সময়ছোৱাত দুখন উপন্যাস যদিও সাহিত্যকৰ্ম হিচাপে উপন্যাস দুখন দুৰ্বল। ষাঠি আৰু সত্তৰৰ দশকত কেইবাগৰাকীও প্ৰতিভাশালী মহিলাৰ আৰ্বিভাৱে অসমীয়া উপন্যাসক এক নতুন মাত্ৰা প্ৰদান কৰিলে। তেওঁলোকৰ ভিতৰত নীলিমা দত্ত, নিৰুপমা বৰগোহাঞি আৰু মামণি ৰয়ছম গোস্বামীৰ নাম মনলৈ আহে। তেওঁলোকৰ সৈতে নাম ল'ব পাৰি প্ৰবীণা শইকীয়াৰো। নীলিমা দত্ত প্ৰগতিবাদী চিন্তাৰে অনুপ্ৰাণিত। তেওঁৰ উপন্যাস 'আকাশবন্তিত' এই ধৰণৰ চিন্তাৰ প্ৰতিফলন ঘটিছে যদিও তেওঁৰ পৰৱৰ্তী উপন্যাসকেইখন সেই পৰ্যায়লৈ উন্নীত নহ'ল। নিৰুপমা বৰগোহাঞিয়ে নাৰীৰ মুক্তি আৰু অধিকাৰৰ বাবে মাত মাতি আহিছে, নাৰীবাদী চিন্তাই তেওঁৰ সৰহখিনি উপন্যাসতে প্ৰধান ভূমিকা গ্ৰহণ কৰিছে। তেওঁৰ কেইখনমান উপন্যাস হ'ল 'সেই নদী নিৰৱধি', 'ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ', 'অন্য জীৱন' আৰু 'অভিযাত্ৰী'। অসমীয়া উপন্যাসক এক বিশেষ মাত্ৰা প্ৰদান কৰা এগৰাকী বৰেণ্য লেখিকা হ'ল মামণি ৰয়ছম গোস্বামী।

সমাজৰ কু-সংস্কাৰ, অন্ধবিশ্বাস আৰু ৰক্ষণশীলতাই মানুহক কিদৰে মায়া-মমতাহীন কৰি তোলে, দৰিদ্ৰতাই পীড়া কৰা নাৰীৰ জীৱন কিদৰে দুৰ্বিসহ হৈ উঠে; অন্ধ পৰম্পৰাই বিধৱা নাৰীৰ জীৱন আশা-আকাংক্ষা, কামনা-বাসনা কিদৰে ধূলিৰ লগত মিহলি কৰি দিয়ে তাৰ ছবি দাঙি ধৰিছে গোস্বামীৰ উপন্যাসত। মামণি ৰয়ছম গোস্বামীক অনেকে নাৰীবাদী লেখিকা বুলিও কয়। কিন্তু নাৰীবাদী বুলি কোৱাতকৈ মানৱতাবাদী বুলি ক'লেহে লেখিকাগৰাকীৰ প্ৰতি সুবিচাৰ কৰা হ'ব। প্ৰবীণা শইকীয়াৰ উপন্যাসসমূহ প্ৰায় ৰোমাণ্টিকধৰ্মী। কাহিনীৰ শিথিলতাই তেওঁৰ উপন্যাসৰ কলাত্মক দিশৰ প্ৰতিফলনত বাধা দিছে বুলি ক'ব পাৰি। আশী আৰু নব্বৈ দশকত আত্মপ্ৰকাশ কৰা মহিলা লেখকৰ ভিতৰত আছে স্বৰ্ণ বৰা, অৰূপা পটংগীয়া কলিতা, পূৰবী বৰমুদৈ, ৰীতা চৌধুৰী, মণিকুন্তলা ভট্টাচাৰ্য, অনুৰাধা শৰ্মা পূজাৰী, গীতালি বৰা ইত্যাদি। জনজাতীয় জীৱনৰ পটভূমিত লিখা অসমীয়া উপন্যাসকেইখনত সজীৱ ৰূপত প্ৰকাশ পোৱাৰ লগতে প্ৰেম আৰু সংহতিৰ এটি বাণীও উপন্যাসখনৰ মাজেদি প্ৰতিফলন ঘটিছে। অৰূপা পটংগীয়া কলিতাৰ উপন্যাসৰ প্ৰধান বৈশিষ্ট্য হ'ল নাৰীৰ মুক্তি আৰু সমঅধিকাৰৰ লক্ষ্য আগত ৰাখি সুপৰিকল্পিতভাৱে তেওঁ উপন্যাসৰ কাহিনী পৰিৱেশন কৰে। তেখেতৰ উপন্যাসত গভীৰ মানৱতাৱাদী দৃষ্টিভঙ্গীৰ স্পষ্ট ৰূপত প্ৰতিফলন ঘটিছে।

পূৰ্ণিমা ৰায়
পঞ্চম ষাণ্মাসিক
অসমীয়া বিভাগ

# নাৰী চেতনা

একবিংশ শতিকাত অসমীয়া উপন্যাস সাহিত্যত মহিলা ঔপন্যাসিকসকলে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। তেওঁলোকে নাৰীৰ দৃষ্টিকোণৰ পৰা সমাজক উপস্থাপন কৰিছে আৰু বিভিন্ন সামাজিক বিষয় যেনে, নাৰীৰ অধিকাৰ, লিংগ বৈষম্য আৰু সামাজিক সমস্যাসমূহক উপন্যাসৰ মাধ্যমেৰে দাঙি ধৰিছে। তেওঁলোকৰ লিখনিয়ে এক নতুন ধাৰা আনিছে আৰু অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছে। একবিংশ শতিকাত মহিলা ঔপন্যাসিকসকলে তেওঁলোকৰ লিখনিত এক নতুন সমাজৰ বিভিন্ন দিশ, বিশেষকৈ মহিলাৰ দৃষ্টিভংগী আৰু অভিজ্ঞতাৰ ওপৰত আলোকপাত কৰিছে।

মহিলা ঔপন্যাসিকসকলে নাৰীৰ দৃষ্টিকোণৰ পৰা সমাজক উপস্থাপন কৰি আনিছে। তেওঁলোকৰ লিখনিয়ে নাৰীৰ অধিকাৰৰ ওপৰত আলোকপাত কৰিছে। অসমীয়া সাহিত্যত মহিলা ঔপন্যাসিকসকলৰ অৱদান অনস্বীকাৰ্য্য। তেওঁলোকৰ লিখনিয়ে পাঠকক বিভিন্ন সামাজিক বিষয়ৰ ওপৰত চিন্তা কৰিবলৈ উৎসাহিত কৰে। এই শতিকাৰ কেইগৰাকী মান উল্লেখযোগ্য মহিলা ঔপন্যাসিকৰ নাম- মামণি ৰয়চম গোস্বামী, নিলীমা দত্ত, অঞ্জলি শৰ্মা, মিতালী চৌধুৰী আদি।

আজিৰ সমাজত নাৰীসকলো পুৰুষৰ সমানে শিক্ষিত হ'ব ধৰিছে । শিক্ষিত নাৰীসকলে দেশৰ আইন-কানুন, নীতি-নিয়মবোৰ ভালদৰে বুজি পায়। নাৰী জাগৰণ তথা সবলীকৰণো শিক্ষিত মহিলাইহে আনিব পাৰে। বৰ্তমান সময়ত নাৰীকেন্দ্ৰিক বিষয়টোক সমালোচকসকলে গুৰুত্বসহকাৰে লৈছে। আজিৰ সমাজত পুৰুষৰ সমানে নাৰীসকলকো সমান অধিকাৰ দিয়া হৈছে। গণতন্ত্ৰিক ৰাষ্ট্ৰত নাৰীসকলক শিক্ষা, ভোট দান, আদিৰ অধিকাৰ প্ৰদান কৰিছে। নাৰীসকলক আগবাঢ়ি যাবলৈ চৰকাৰে বিভিন্ন ধৰণৰ আঁচনি কাৰ্য্যকৰী কৰিছে। পূৰ্বৰ তুলনাত বৰ্তমানৰ নাৰী যথেষ্ট উন্নত আৰু শক্তিশালী হৈছে।

নাৰীৰ শিক্ষা, স্বাধীনতা আৰু তেওঁলোকৰ অধিকাৰ নিশ্চিত কৰাৰ বাবে সমাজৰ সকলোৱে একত্ৰিত হৈ কাম কৰা উচিত।

অৰ্পনা ভৰালী
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

# মাকাম- সোণৰ ঘোঁৰা

"ইতিহাস সাক্ষী আছে, যুদ্ধত মানুহ হৈ পৰে ৰাষ্ট্ৰ নায়ক সকলৰ পাশা খেলৰ গুটি।" এই কথাৰে প্ৰতিফলন ঘটিল চীনামূলীয়া অসমীয়ালোক সকলৰ জীৱনটো। এওঁলোকৰ অসম আগমণৰ ইতিহাস সাঙুৰ খাই আছে অসমৰ চাহ শিল্পৰ লগত জড়িত প্ৰব্ৰজনৰ ইতিহাসৰ লগত। স্বদেশ আৰু স্বজাতি ত্যাগ কৰি হ'ল এই চীনামূলীয়া লোকসকলে আদৰি লৈছিল কেৱল অসম আৰু অসমীয়া ভাষা-সংস্কৃতিক। এই লোকসকলৰ দ্বাৰাই ঠাহ খাই পৰিল এদিন তিনিচুকীয়া জিলাৰ মাকুম চহৰো। চীনাসকলে মাকুমৰ ঠাইত 'মাকাম' শব্দটো ব্যৱহাৰ কৰিছিল। য'ত 'মা' শব্দই 'ঘোঁৰা' আৰু 'কাম' শব্দই 'সোণক' বুজাইছিল অৰ্থাৎ মাকুম চহৰক তেওঁলোকে সোণৰ ঘোঁৰা যেন জ্ঞান কৰিছিল। নিজ মাতৃভূমিক ত্যাগ কৰি 'অসম' কে মাতৃভূমি হিচাপে বুকুত ঠাই দিয়া এই চীনা লোকসকলে ৰাজনৈতিক তথা সামাজিক আক্ৰমণৰ বলি হ'ব লগা হৈছিল। " পাৰিবা ? ভাৰতৰ মাটিত থিয় হৈ আনৰ কথা ক'ব পাৰিবা ? ইমান সাহস আছে ?" লাইলিনৰ বুকুত লুকাই থকা এই যে ক্ষোভ তাৰ কাৰণ হ'ল চীনামূলীয়া লোকসকলৰ প্ৰতি থকা মানৱীয়তা গুণৰ অভাৱ। ১৯৬২ চনৰ চীন ভাৰতৰ যুদ্ধৰ পৰিণতিত এই সকল লোকৰ জীৱন হৈ পৰিছিল দুৰ্বিষহ। তেওঁলোকক স্বদেশত সজোৱা হ'ল বিদেশী, শৰণাৰ্থী, চীনৰ চিক্ৰেট এজেণ্ট। সমাজৰ মূল ভেটি উছন হ'ল, চীনা-অসমীয়া সংমিশ্ৰিত পৰিয়ালবোৰ এনেদৰে থান-বান হৈ পৰিল যেন গছডালৰ শিপাই মাটিখিনিৰ পৰাই এৰা পৰিল ।

এই যে অকল্পনীয়, অভাৱনীয় কথাবোৰ, জীয়া জীয়া কাহিনীবোৰ তাক লিখি উলিয়াবলৈ আগবাঢ়ি আহিল অসমৰ এগৰাকী আগশাৰীৰ মহিলা লেখিকা সাহিত্য একাডেমী বঁটা বিজয়ী ড° ৰীতা চৌধুৰী। সুদীৰ্ঘ প্ৰায় চাৰি বছৰ কাল গৱেষণা কৰি লেখিকাগৰাকীয়ে ছশ পৃষ্ঠা জোৰা 'মাকাম' নামেৰে বৃহৎ উপন্যাসখন লিখি উলিয়ালে। য'ত প্ৰতিটো বাখ্যা প্ৰতিটো শব্দই, আনকি দাৰি, কমাইয়ো কৈ যায় সেই অমানৱীয়, অভাৱনীয় কথাবোৰ। ৰীতা চৌধুৰীয়ে এই বাস্তৱ উপন্যাসখনি ইংৰাজী ভাষাত "CHINATOWN DAYS" নামৰে প্ৰকাশ পাইছে। লেখিকাগৰাকীয়ে অসমীয়া সাহিত্যক ভাৰতবাসীৰ লগতে সমগ্ৰ বিশ্ববাসীৰ আগত পৰিচয় কৰাই দিবলৈ সক্ষম হৈছে। ড° ৰীতা চৌধুৰীৰৰ অন্যান্য গ্ৰন্থ-দেউলাংখুই, মায়া বৃত্ত, পপীয়া তৰাৰ সাধু, আদি লগতে এই মাকাম উপন্যাসখনিয়েও বিশেষ জনপ্ৰিয়তা লাভ কৰিছে। বৰ্তমানৰ বিশ্ব সংঘৰ্ষৰ কালছোৱাত গ্ৰন্থখনিৰ প্ৰাসংগিকতা আহি পৰিছে। সেই চীনামূলীয়া অসমীয়া লোকসকলৰ বুকুত তিল তিলকৈ জমা হৈ গঢ় লৈ উঠা যন্ত্ৰণাৰ আগ্নেয়গিৰিটো প্ৰতিজন ব্যক্তিয়ে বুজা উচিত। যুদ্ধৰ বিৰুদ্ধে প্ৰতিবাদ কৰা, শান্তিকামী প্ৰত্যেক ব্যক্তিয়ে এবাৰ হ'ল 'মাকাম' উপন্যাসখন পঢ়াৰ উপকাৰিতা আছে। ৰীতা চৌধুৰীৰ এই সুবৃহৎ তথা মহৎ গ্ৰন্থখনিৰ পৰা আয়ত্ত কৰিবলগীয়া বহুতো দিশ আছে। মোৰ এই নাতিদীৰ্ঘ লেখাটিয়ে নিশ্চয় গ্ৰন্থখনিৰ সকলো দিশ চুই যোৱা নাই। শেষত কিতাপ পঢ়ি ভাল পোৱা সকলোটিকে মাকাম উপন্যাসখনিৰ এবাৰ সোৱাদ ল'বলৈ অনুৰোধ জনালোঁ।

শ্ৰীমতী তৰালী গগৈ
স্নাতক প্ৰথম ষাণ্মাসিক
শিক্ষাতত্ত্ব বিভাগ

# একবিংশ শতিকাৰ অসমীয়া উপন্যাস সাহিত্যলৈ মহিলা উপন্যাসিকৰ অৱদান

একবিংশ শতিকাত অসমীয়া মহিলা উপন্যাসিকসকলে এক গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। তেওঁলোকে নাৰী দৃষ্টিকোণৰ পৰা সমাজ, পৰিয়াল আৰু ব্যক্তিগত জীৱনৰ বিভিন্ন দিশবোৰ উপন্যাসৰ মাজেদি প্ৰকাশ কৰি আহিছে। তেওঁলোকৰ লেখনিসমূহত নাৰীৰ বিভিন্ন সমস্যা, আশা- আকাংক্ষা প্ৰতিফলিত কৰাৰ লগতে অসমীয়া সাহিত্যক এক নতুন মাত্ৰা প্ৰদান কৰিছে। অসমীয়া সাহিত্য জগতত একবিংশ শতিকাৰ মহিলা ঔপন্যাসিকসকলে ন ন দৃষ্টিভঙ্গীৰে নতুন কৌশলেৰে এক নতুন মাত্ৰা দিবলৈ চেষ্টা কৰিছে। তেওঁলোকৰ উপন্যাসত নাৰীৰ মনস্তত্ব, মানসিক অন্তৰ্দন্দ্ব, সমাজত নাৰীৰ ভূমিকা, চাকৰিয়াল নাৰীৰ সমস্যা, বিভিন্ন পৰিৱেশত কেৱল নাৰী হোৱাৰ বাবেই সন্মুখীন হোৱা নানা সমস্যাসমূহক মূল বিষয় হিচাপে লৈ কাহিনীত আলোকপাত কৰিছে। মুঠতে ক'ব পাৰি যে তেওঁলোকৰ সৃষ্টিশীল লেখনিসমূহে অসমীয়া উপন্যাস সাহিত্যক এক নতুন ধাৰা উন্মোচন কৰাত যথেষ্ট সহায় কৰিছে।

অসমীয়া উপন্যাস জগতৰ এগৰাকী লেখত ল'বলগীয়া মহিলা ঔপন্যাসিক হ'ল ৰীতা চৌধুৰী। তেওঁ একেধাৰে এগৰাকী কবি, ঔপন্যাসিক। এইগৰাকী বিখ্যাত ঔপন্যাসিকে তেওঁৰ কৰ্মজীৱন আৰম্ভ কৰে ১৯৮৯ চনত ডিফু চৰকাৰী মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ এগৰাকী প্ৰবক্তা হিচাপে আকৌ পাছত ১৯৯১ চনত গুৱাহাটীৰ কটন কলেজত প্ৰবক্তা হিচাপে যোগদান কৰে। ১৯৯৬ চনত একেখন মহাবিদ্যালয়তে জ্যেষ্ঠ প্ৰবক্তা হিচাপে আৰু ২০০১ চনৰ পৰা ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক হিচাপে ২০১৬ চনলৈকে দায়িত্ব পালন কৰে। তেখেতৰ উপন্যাসসূহ হ'ল 'অবিৰত যাত্ৰা'(১৯৮১),'ৰাগ-মালকোশ'(১৯৯৯),'জলপদ্ম' (১৯৯৯),'দেওলাংখুই' (২০০৫), 'মাকাম'(২০১০), 'মায়াবৃত্ত' (২০১২), 'মৰে অসম, জীয়ে কোন' (২০২১) আদি। তেখেতে অসমীয়া কাব্য সাহিত্যৰ জগতখনতো বৰঙণি আগবঢ়াই আহিছে। তেখেতৰ কাব্যপুথিসমূহ হ'ল 'সুদূৰ নক্ষত্ৰ' ( ১৯৮৯), 'বনৰীয়া বতাহৰ সুঁহুৰি' (১৯৯৬), 'অলপ পোহৰ, অলপ আন্ধাৰ' (১৯৯৭) আৰু 'বগা মাটিৰ তুলসী' (১৯৯১) আদি। তেওঁ 'অবিৰত যাত্ৰা' উপন্যাসৰ বাবে 'অসম সাহিত্য সভা বঁটা' আৰু 'অসম উপত্যকা বঁটা' লাভ কৰে। ইয়াৰোপৰি 'দেওলাংখুই' উপন্যাসৰ বাবে ২০০৬ চনত 'সাহিত্য অকাডেমি বঁটা' লাভ কৰে। এই উপন্যাসসমূহৰ ভিতৰত মোৰ মন জয় কৰা এখন উল্লেখযোগ্য উপন্যাস হ'ল- 'মাকাম' ।

১৯৬২ চনৰ চীন-ভাৰতৰ যুদ্ধৰ সময়ত তিনিচুকীয়া জিলাৰ মাকুমৰ পৰা বন্দী কৰি ৰাজস্থানলৈ লৈ যোৱা ১৫০০ জন চীনা-ভাৰতীয় লোকৰ দুখ-দুৰ্দশাৰ কাহিনী ইয়াত বৰ্ণিত হৈছে। সেই সময়ৰ নেফা সীমা অতিক্ৰম কৰি ব্ৰহ্মপুত্ৰ উপত্যকাত উপস্থিত হোৱা চীনা সৈন্যৰ আক্ৰমণৰ সমান্তৰালভাৱে ভাৰত চৰকাৰে দেশখনত কেইবা পুৰুষো পাৰ কৰা চীনৰ বংশোদ্ভুৱ লোকসকলক অমানৱীয়ভাৱে আটক কৰি প্ৰথমে ৰাজস্থান আৰু পৰৱৰ্তী পৰ্যায়ত ইয়াৰে কিছু সংখ্যকক সমুদ্ৰ পথেৰে চীনলৈ বিতাড়িত কৰা হৈছিল। ইয়াৰ পটভূমিতেই বিশিষ্ট ঔপন্যাসিক গৰাকীয়ে 'মাকাম' ৰচনা কৰি উলিয়াইছিল। তদুপৰি তেওঁৰ আন এখন বিখ্যাত গ্ৰন্থ দেউ লাংখুই হৈছে এখন বুৰঞ্জীমূলক উপন্যাস। দেও লাংখুই মানে দেও লগা তৰোৱাল। উপন্যাসখনত তিৱাসমাজৰ সমাজ-সংস্কৃতিৰ বিষয়ে বিশেষভাৱে আলোকপাত কৰা হৈছে। ২০05 চনৰ ফেব্ৰুৱাৰী মাহত জ্যোতি প্ৰকাশনে এই উপন্যাসখনৰ প্ৰথম প্ৰকাশ কৰে।

বিভ্ৰান্ত বাস্তৱ হৈছে ৰীতা চৌধুৰীয়ে ৰচনা কৰা এখন অসমীয়া উপন্যাস। উপন্যাসখন প্ৰথম প্ৰকাশ পাইছিল ২০১৫ চনৰ অক্টোবৰ মাহত।এই উপন্যাসখন মূল চৰিত্ৰ হ’ল গায়ত্ৰী। প্ৰেমক হাতিয়াৰ হিচাপে লৈ এজন হৃদয় হীন ব্যক্তিয়ে এজনী ছোৱালীক নৰকলৈ ঠেলি দিয়াৰ পাছতো ভাগি নপৰি পুনৰ নতুন উদ্যমেৰে কিদৰে জীৱন জিয়াব পাৰি তাক এই  উপন্যাসখনৰ মাজেদি সুন্দৰকৈ দাঙি ধৰিছে।এই উপন্যাসখনৰ এষাৰি ভাল লগা বাক্য হ’ল ‘সাফল্যৰ সৈতেই ঢৌ হৈ আহে শ্ৰদ্ধা, প্ৰশংসা আৰু সমাজৰ আগশাৰীৰ আসন। সফলতা-বিফলতাৰ সৈতেই সনাসনি হৈ থাকে পোহৰ আৰু অন্ধকাৰ। সফলতা যেন এখন ৰঙীন আয়না, যাৰ মাজেদি পোহৰ সৰকি ৰঙীন কৰি তোলে বৰ্ণহীন চৌপাশ।’ এই বাক্য শাৰীৰ মাজেৰে সফলতাই যে জীৱন পোহৰাই তুলিব পাৰে তাকে বুজাব বিচাৰিছে। তেওঁৰ কলম হৈছে এক প্ৰতিবাদী কণ্ঠ। আৰু তেওঁৰ সাহিত্য হৈছে আঞ্চলিক ইতিহাস, ভিন্ন জাতি আৰু দলেৰে গৃহীত বহুমাত্ৰিক সমাজ, সংবেদনশীল, আৰু সামাজিক-বৈপ্লৱিক শক্তিৰ এক দীঘলীয়া অভিব্যক্তি; যি সদায় পাঠকৰ মনলৈ সন্ধান, মৰম আৰু মুক্তিৰ আশা আনে।

শ্ৰী যদুমণি দাস
প্ৰথম ষাণ্মাসিক
অসমীয়া বিভাগ

# মোৰ দৃষ্টিকোণৰ ফালৰপৰা 'নাহৰৰ নিৰিবিলি ছাঁ'

ডঃ অনুৰাধা শৰ্মা পূজাৰীৰ এখন অতি প্ৰশংসিত আৰু গভীৰ অৰ্থপূৰ্ণ উপন্যাস হৈছে 'নাহৰৰ নিৰিবিলি ছাঁ'। এই উপন্যাসখন কেৱল এক কল্পিত কাহিনীয়েই নহয়, ই আশীৰ দশকৰ অসমৰ এক জটিল আৰু আলোড়িত সময়ৰ প্ৰতিচ্ছবি। লেখিকাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ত কটোৱা নিজৰ ছাত্ৰ জীৱনৰ অভিজ্ঞতাক মূল ভেঁটি হিচাপে লৈ বাস্তৱ আৰু কল্পনাৰ এক সুন্দৰ সমন্বয় ঘটাইছে। এই উপন্যাসখনে সেই সময়ৰ ৰাজনৈতিক অস্থিৰতা, সামাজিক সমস্যা আৰু মানুহৰ ব্যক্তিগত জীৱনৰ আৱেগিক উত্থান-পতনৰ গভীৰ চিত্ৰ দাঙি ধৰিছে।

**<u>কাহিনীৰ পটভূমি আৰু মূল চৰিত্ৰ:</u>**

কাহিনীৰ কেন্দ্ৰত আছে ভাস্বতী নামৰ এগৰাকী সাহসী আৰু বিবেকৱান যুৱতী। তেওঁ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত পঢ়িবলৈ আহে। উপন্যাসখনত তেওঁৰ দৃষ্টিকোণৰ মাজেৰেই আমি সেই সময়ৰ বিশ্ববিদ্যালয়ৰ জীৱনৰ প্ৰতিটো সূক্ষ্ম দিশ অনুভৱ কৰিবলৈ পাওঁ। বিশ্ববিদ্যালয়ৰ চৌহদৰ চাৰিওফালে থকা চাহ বাগান আৰু নাহৰ গছৰ শান্ত, নিৰিবিলি পৰিৱেশটোৱে ভাস্বতীৰ অন্তৰৰ আৱেগিক সংঘাতৰ সৈতে এক বৈপৰীত্য সৃষ্টি কৰিছে। এই নিৰিবিলি পৰিৱেশৰ মাজতেই আশীৰ দশকৰ অসম আন্দোলনৰ উত্তাল ৰাজনীতিৰ ছাঁ পৰিছিল, যাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনতো গভীৰ প্ৰভাৱ পৰিছিল। ভাস্বতীৰ জীৱনৰ লগত জড়িত বিভিন্ন চৰিত্ৰৰ মাজেৰে উপন্যাসখন আগবাঢ়িছে। এই চৰিত্ৰসমূহ বহুস্তৰীয় আৰু বাস্তৱসন্মত। প্ৰত্যেকৰে নিজা কিছুমান ব্যক্তিগত যন্ত্ৰণা, সপোন আৰু হতাশাই কাহিনীটোক অধিক সংবেদনশীল কৰি তুলিছে। লেখিকাই এই চৰিত্ৰবোৰৰ মাজেৰে মানৱীয় সম্পৰ্কৰ বিভিন্ন জটিল দিশ অন্বেষণ কৰিছে।

**সামাজিক আৰু ৰাজনৈতিক প্ৰেক্ষাপট:**

আশীৰ দশক আছিল অসম আন্দোলনৰ এক গুৰুত্বপূৰ্ণ সময়। এই আন্দোলনৰ প্ৰভাৱ বিশ্ববিদ্যালয়ৰ চৌহদতো পৰিছিল। ছাত্ৰ-ছাত্ৰীসকল ৰাজনীতিৰ সৈতে জড়িত হৈছিল আৰু ইয়াৰ ফলত তেওঁলোকৰ ব্যক্তিগত জীৱনত যথেষ্ট আলোড়নৰ সৃষ্টি হৈছিল। উপন্যাসে আন্দোলনৰ বাবে ছাত্ৰ-ছাত্ৰীৰ মাজত হোৱা আদৰ্শগত সংঘাত আৰু হতাশাৰ বৰ্ণনা কৰিছে।

**সশস্ত্ৰ বিপ্লৱৰ প্ৰভাৱ:**

সেই সময়ৰ সশস্ত্ৰ বিপ্লৱে বহু যুৱক-যুৱতীক আকৰ্ষিত কৰিছিল। উপন্যাসখনে এই বিপ্লৱৰ প্ৰভাৱ কেনেকৈ ছাত্ৰ সমাজৰ ওপৰত পৰিছিল আৰু ই কেনেকৈ তেওঁলোকৰ ভৱিষ্যত সলনি কৰিছিল তাৰ এক বাস্তৱ চিত্ৰ দাঙি ধৰিছে।

**সামাজিক নিষিদ্ধতাৰ বিৰুদ্ধে মাত:**

লেখিকাই সমাজত লুকাই থকা কিছুমান সংবেদনশীল বিষয়, যেনে - বিবাহৰ পূৰ্বে গৰ্ভধাৰণ, দাম্পত্য ধৰ্ষণ আৰু আত্মহত্যা আদি বিষয়বোৰক অত্যন্ত সংবেদনশীলতাৰে তুলি ধৰিছে। এই বিষয়সমূহৰ আলোচনাৰে তেওঁ সেই সময়ৰ সমাজৰ কিছুমান গভীৰ ক্ষতক উন্মোচন কৰিছে, যিবোৰ সাধাৰণতে বৰ্জনীয় হিচাপে গণ্য কৰা হৈছিল।

**মানৱীয় সম্পৰ্ক আৰু আৱেগ: প্ৰেম আৰু বিচ্ছেদ**

উপন্যাসখনে বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত গঢ়ি উঠা প্ৰেম, বন্ধুত্ব আৰু বিচ্ছেদৰ আৱেগিক যাত্ৰাৰ কথা বৰ্ণনা কৰিছে। ভাস্বতীৰ জীৱনলৈও আহিছিল বহুতো সংঘাত আৰু প্ৰেমৰ অভিজ্ঞতা, যিয়ে তেওঁক মানুহ হিচাপে অধিক পৰিপক্ক কৰি তুলিছিল।

**একাকিত্ব আৰু হতাশা:**

নাহৰ গছৰ নিৰিবিলি ছাঁৰ তলত বহু ছাত্ৰ-ছাত্ৰীয়ে নিজৰ একাকিত্ব আৰু হতাশা অনুভৱ কৰিছিল। উপন্যাসখনে এই একাকিত্বৰ গভীৰতাত সোমাই পঢ়ুৱৈৰ মনত এক বেদনাৰ ভাৱ সৃষ্টি কৰে। সেই সময়ৰ অনিশ্চিত পৰিৱেশ আৰু ভৱিষ্যতৰ প্ৰতি থকা সংশয়ে যুৱ মনত গভীৰ হতাশাৰ সৃষ্টি কৰিছিল।

**নাৰীৰ জীৱনৰ সংঘাত:**

উপন্যাসে এগৰাকী নাৰী হিচাপে ভাস্বতীয়ে সন্মুখীন হোৱা বিভিন্ন সামাজিক আৰু ব্যক্তিগত সংঘাতৰ কথা বৰ্ণনা কৰিছে। সমাজৰ গোড়ামি আৰু পুৰুষতান্ত্ৰিক ধ্যান-ধাৰণাৰ বিৰুদ্ধে তেওঁৰ যুঁজে তেওঁক এক শক্তিশালী আৰু স্বাধীন চৰিত্ৰ হিচাপে গঢ়ি তুলিছে। লেখিকাই দাম্পত্য ধৰ্ষণৰ দৰে বিষয় উত্থাপন কৰি নাৰীৰ প্ৰতি থকা সমাজৰ দায়বদ্ধতাৰ প্ৰশ্ন উত্থাপন কৰিছে।

**সাহিত্যিক শৈলী আৰু প্ৰতীকবাদ: ভাষাৰ ব্যৱহাৰ**

অনুৰাধা শৰ্মা পূজাৰীৰ সাহিত্যিক শৈলী অত্যন্ত সৰল আৰু হৃদয়স্পৰ্শী। তেওঁ ভাষাৰ জড়িয়তে পাঠকক কাহিনীৰ সৈতে সম্পূৰ্ণৰূপে জড়িত কৰাবলৈ সক্ষম হৈছে। তেওঁৰ বৰ্ণনাবোৰ ইমানেই জীৱন্ত যে পাঠকসকলে আশীৰ দশকৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চৌহদটো নিজৰ চকুৰ আগত দেখা যেন অনুভৱ কৰে।

**'নাহৰৰ নিৰিবিলি ছাঁ ৰ প্ৰতীক:**

উপন্যাসখনৰ নামটোৱেই ইয়াৰ গভীৰতাৰ ইংগিত দিয়ে। নাহৰৰ নিৰিবিলি ছাঁয়ে সেই সময়ৰ যুৱক-যুৱতীৰ মনৰ নিৰিবিলি স্থানক প্ৰতীকৰূপে বুজায়, য'ত তেওঁলোকে নিজৰ সপোন আৰু বাস্তৱৰ মাজৰ সংঘাতক অনুভৱ কৰিছিল। এই নিৰিবিলি ছাঁৰ মাজতেই তেওঁলোকে আশ্ৰয় বিচাৰিছিল, কিন্তু আন্দোলনৰ উত্তাল ৰাজনীতিয়ে সেই নিৰিবিলি স্থানক অস্থিৰ কৰি তুলিছিল।

**উপসংহাৰ:**

'নাহৰৰ নিৰিবিলি ছাঁ' এখন স্মৰণীয় উপন্যাস, যিয়ে আশীৰ দশকৰ অসমৰ এক জটিল সময়ৰ ইতিহাসক ব্যক্তিগত অভিজ্ঞতাৰ মাজেৰে তুলি ধৰিছে। ই কেৱল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ জীৱনৰ কাহিনীয়েই নহয়, ই সেই সময়ৰ সমাজ, ৰাজনীতি আৰু মানৱীয় আৱেগৰ এক শক্তিশালী দাপোণ। উপন্যাসখনে পাঠকক এক নষ্টালজিক যাত্ৰালৈ লৈ যায়, য'ত তেওঁলোকে জীৱনৰ জটিলতা, প্ৰেমৰ কোমলতা আৰু বাস্তৱৰ নিষ্ঠুৰতাৰ মাজৰ পাৰ্থক্যক বুজিব পাৰে। ই অনুৰাধা শৰ্মা পূজাৰীৰ এক অন্যতম শ্ৰেষ্ঠ সাহিত্য কৃতি, যাৰ আবেদন চিৰন্তন।

**শ্ৰীমতী ভাস্বতী দত্ত**
**প্ৰথম ষাণ্মাসিক**
**ইংৰাজী বিভাগ**

# মনালিছা শইকীয়াৰ ‘আন্দোলিত আকাশ’

নৱ প্ৰজন্মৰ লেখিকা মনালিছা শইকীয়াৰ দ্বাৰা ৰচিত "আন্দোলিত আকাশ নামৰ উপন্যাসখন সঁচা অৰ্থত এখন সফল উপন্যাস যিখন উপন্যাসে প্ৰথম অধ্যায়ৰ পৰাই অন্তৰত এক গভীৰ সাঁচ বহুৱাবলৈ সক্ষম হৈছে। অগতানুগতিক বিষয়ৰ ওপৰত ৰচিত এই উপন্যাসখন হ”ল অসমীয়া সাহিত্যৰ এক উল্লেখযোগ্য কৃতি, যিখন প্ৰথম প্ৰকাশ পাইছিল ২০০৮ চনত আৰু দ্বিতীয় প্ৰকাশ পাইছিল ২০১০ চনত। ‘আন্দোলিত আকাশ’ নামৰ উপন্যাসখন হ’ল এখন সমসাময়িক উপন্যাস, য'ত মানৱ মনৰ জটিলতা, সম্পৰ্কৰ গতিশীলতা, আৰু সামাজিক পৰিস্থিতিৰ প্ৰভাৱৰ বিষয়ে গভীৰভাৱে আলোচনা কৰা হৈছে। তেওঁৰ ভাষাৰ প্ৰবাহ আৰু আৱেগিক গভীৰতাই পাঠকক কাহিনীৰ সৈতে সংযোগ স্থাপন কৰাত যথেষ্ট পৰিমাণে সহায় কৰিছ। এই উপন্যাসখনৰ মূল বিষয়বস্তু হৈছে এগৰাকী মানসিক ৰোগত আক্ৰান্ত মহিলাৰ জীৱন সংগ্ৰাম আৰু পৰিয়ালৰ সৈতে থকা তেওঁৰ সম্পৰ্কৰ কাহিনী। উপন্যাসখনত লেখিকাই মানসিক ৰোগী এজনে সমাজ আৰু পৰিয়ালৰ দ্বাৰা কেনেদৰে অৱহেলিত হয় তাক সুন্দৰকৈ দাঙি ধৰিছে। লগতে এনে লোকৰ প্ৰতি সহানুভূতিশীল হ’বলৈ আহ্বান জনাইছে।

উপন্যাসখনৰ ভিতৰলৈ চাবলৈ গ’লে এই উপন্যাসখনৰ মূল চৰিত্ৰ হ’ল মামণি। মামণি আছিল আনৰ দুখ সহিব নোৱাৰা এগৰাকী সহজ-সৰল ছোৱালী। যিয়ে শিক্ষকৰ চাকৰি কৰি ঘৰখন চলাইছিল। পৰিয়াল বুলিবলৈ মানসিক ৰোগত আক্ৰান্ত মাক, এজন মদাহী দেউতাক, মাকৰ বেমাৰক আওকাণ কৰি নিজৰ জীৱনৰ কথা চিন্তা কৰা ককায়েক, আৰু এই সকলোবোৰ সমস্যাৰ পৰা আঁতৰি নিজৰ কথা ভাবি এজন ব্যৱসায়ীৰ লগত পলাই যোৱা বায়েক। এটা সময়ত সকলোৰে জীৱনলৈ প্ৰেম অহাটো স্বাভাৱিক। মামণিৰ জীৱনলৈও প্ৰেম আহিছিল স্বপ্নীল নামৰ এজন পুৰুষক ওৰে জীৱন ওচৰত পাবলৈ বিছাৰিছিল যদিও মামণিৰ মনত কিছুমান উত্তৰ নোহোৱা প্ৰশ্নৰ সৃষ্টি কৰি একমাত্ৰ মাকৰ অসুখৰ বাবেই তাইক অন্তৰৰ পৰা চিৰদিনলৈ ঠেলি উলিয়াই দিছিল তাইৰ প্ৰেমিক স্বপ্নীলে। শেষত সকলোৱে অৱহেলা-অত্যাচাৰ কৰা মাকক দেখি দেখি এসময়ত হতাশাই আগুৰি ধৰা সেই স্পৰ্শকাতৰ, আৱেগিক ইমপ্ৰেক্টিকেল অন্তমুখী মামনি নিজেই এগৰাকী মানসিক ৰোগী হৈ পৰিছিল। আৰু সকলোৰে দৃষ্টিত মাকৰ দৰেই হৈ পৰিছিল তাই এগৰাকী পাগলী। যি সময়ত তাইক অলপমান সহানুভূতিৰ প্ৰয়োজন হৈছিল সেই সময়ত প্ৰশ্নৰ শেলে শালি পেলাই বুকুৰ তেজ বিৰিঙি নুঠালৈকে কৰতেৰে ৰেপি ৰেপি আসুৰিক তৃপ্তি লৈছিল সমাজে। অথচ তাই জীয়াই আছিল, প্ৰতি মুহূৰ্ত্ততে নিজকে প্ৰস্তুত কৰি এটা মহাজীৱনৰ বাবে। সঁচাই আত্মীক স্পৰ্শই মানুহক কন্দুৱাই জীৱনৰ সঁচা গল্পৰ কাহিনী বোৰো চাগে এনেকুৱাই য’ত উজাৰ খাই আহিব খোজা কান্দোন সামৰি মজবুত হৈ থিয় হৈ দেখুৱাব লগা হয় যেন দুখ বোৰে আমাক কাহানিও স্পৰ্শই কৰা নাই। সকলোৰে জীৱনত দুখ থাকে, কিন্তু আমি দুখ বোৰৰ লগত যুঁজি জীয়াই থাকিব লাগিব সপোন দেখিব লাগিব ঠিক মামণিৰ দৰেই।

**নিশিতা দাস**
**অৰ্থনীতি বিভাগ**
**পঞ্চম ষাণ্মাসিক**

# বাসনাহীনাঃ এক নৱতম সংযোজন

সমকালীন অসমীয়া উপন্যাস-সাহিত্যত গীতালি বৰাৰ ‘বাসনাসীনা’ এক আদৰণীয় সংযোজন। গতানুগতিক বিষয়বস্তুৰে ভৰি থকা অসমীয়া উপন্যাসৰ জগতখনত কামশীতলতাৰ দৰে এলাগী বিষয়বস্তুক তুলি ধৰি চালি-জাৰি চোৱাৰ যি প্ৰয়োজনীয়তা উপন্যাসখনে দাঙি ধৰিছে, ই সঁচাই এক শলাগিবলগীয়া পদক্ষেপ। উপন্যাসিকাই আগকথাত নিজেই উল্লেখ কৰিছে, যে — “বাসনাবিহীন শৰীৰৰ নাৰীহঁতৰ কথা ইতিহাসত লিখা হোৱা নাই। যাতনা, ৰোগ অথবা অপ্ৰেমে তিলতিলকৈ শৰীৰক ক্ষয় নিওৱা এই নাৰীহঁতক লৈ শিল্প-সাহিত্যৰ সৃষ্টি হোৱা নাই। হ’লেও মই নাজানো।” গতিকে, উপন্যাসখনত নিজেই মুখ্য চৰিত্ৰ হৈ ধৰা দিয়া শৰীৰ-বাসনাহীনতা (ফ্ৰিজিডিটি অথবা কাম-শীতলতা) স্বাভাৱিকতেই আমাৰ অসমীয়া পঢ়ুৱৈসকলৰ বাবে নতুন বিষয়। সেয়েহে “বাসনাহীনা” উপন্যাসখনক আমাৰ অসমীয়া উপন্যাস সাহিত্যত এক নৱতম সংযোজন বুলিব পাৰি।

‘অন্তৰতম’, ‘বুদ্ধজায়া’ ৰ দৰে হৃদয়স্পৰ্শী উপন্যাসৰ স্ৰষ্টা তথা প্ৰায় দুই দশকতকৈয়ো অধিক কাল অসমৰ সাংবাদিকতা আৰু সাহিত্য ক্ষেত্ৰখনৰ লগত জড়িত গীতালি বৰা এগৰাকী খ্যাতিমান গল্পকাৰ হিচাপেও প্ৰসিদ্ধ। গল্পৰ মাজেদি উত্তৰ আধুনিকতাবাদক প্ৰতিফলিত কৰা লেখিকাৰ ‘বাসনাহীনা’ উপন্যাস জগতৰ বাবে অতি অভিনৱ আয়োজন। উপন্যাসখনৰ ৰচনাশৈলীক পাঠকৰ মনোগ্ৰাহীকৈ সজাই তুলিবৰ বাবে কবিতাৰ আকৰ্ষণীয় আৰু বুদ্ধিদীপ্ত ব্যৱহাৰ সঁচাকৈয়ে চমকপ্ৰদ। এমিলি ডিকিনছন, এমিলি ব্ৰণ্টিৰ পৰা আৰম্ভ কৰি অন্যান্য বিদেশী কবিতাৰ অনুবাদ তথা কথকৰ নিজৰ কবিতাৰ উদ্ধৃতিৰে উপন্যাসখনৰ আন্তঃপাঠ ভিন্নসুৰী আবেদনৰ প্ৰতি সজাগ আৰু বিষয়বস্তুৰ সাৰ্বজনীনতাক সুন্দৰৰূপত প্ৰতিফলন ঘটাইছে। আচলতে কেৱল কবিতা বুলিলে ভুল কোৱা হ'ব। সঁচা অৰ্থত ‘বাসনাহীনা’ হৈছে তিনিটা শিল্পকৰ্মৰ অপূৰ্ব সমাহাৰ। সেয়া হ’ল — কবিতা, ছবি আৰু গান।

জয়ী, আৰৱি, শ্ৰুতি, কান্তা আদি চৰিত্ৰৰ যোগেদি কথক-লেখক (কথক চৰিত্ৰটোৱে লেখক হিচাপে পৰিচয় দিছে) চৰিত্ৰটোৱে বাসনাহীন শৰীৰৰ যাতনাক যথা সম্ভৱ তুলি ধৰিছে। শ্ৰুতি নামৰ চিত্ৰশিল্পীগৰাকীৰ চৰিত্ৰটোৱে কিদৰে বাসনাহীনাৰ যাতনাক ‘FRIGID’ শিৰোনাম দি নিজৰ সৃষ্টিকৰ্মৰে দাঙি ধৰিছে, সেই বৰ্ণনা অতি লক্ষ্যণীয়। শ্ৰুতিৰ ছবিবোৰ ঠিক যেন ধৰ্ষিতা মহিলাৰ এক প্ৰতিবাদ। নতুবা কেৱল ভোগবাদী শৰীৰধাৰীসকলৰ ওপৰত একো একোটা প্ৰচণ্ড বোন্দাচৰ। কান্তাৰ আত্মহত্যাও ফ্ৰিজিডিটিৰে এটি পৰিণাম। চাফোৰ কবিতাৰ কথাৰে ‘লেছবিয়ান’ৰ প্ৰসংগ আনি বন্দিতা আৰু দেৱবালা চৰিত্ৰ দুটাৰ মাজেৰে কথক চৰিত্ৰটোৱে দেখুৱাইছে যে, ইয়ো হ'ব পাৰে ফ্ৰিজিডিটিৰ অন্যতম এটি কাৰণ।

শৰীৰৰ শীতনিদ্ৰাৰ কাৰণ ‘EXTREME LOVELESSNESS LEADS US TO EXTREME LONELINESS’ বুলি কোৱা জয়ী, বন্ধু ৰাজৰ্ষিৰ হাতত ভাস্কৰ্যলৈ ৰূপান্তৰিত হ”ল। যি ভাস্কৰ্যৰ বৰ্ণনা কথক-লেখক চৰিত্ৰটোৱে দিছে এনেদৰে — “আৰু বিশ্বাস কৰক প্ৰিয় পাঠক, যদিও মই ৰাজৰ্ষিয়ে নিৰ্মাণ কৰা ভাস্কৰ্যটো দেখা নাছিলোঁ, মই জয়ীয়ে কোৱাৰ দৰেই তাইৰ শৰীৰটো দেখিলোঁ। তাইৰ ছাল কাঠফুলাৰ দৰে ফুলি উঠা। চকু দুটা মৰা মাছৰ দৰে ঢেলা। বুকুত তিতি থকা গেলি যোৱা খেৰৰ দুটা লাৰু। নিম্নাংগত মৰা ভেকুলীৰ পিঠিৰ দৰে কিবা এটা ।”( পৃষ্ঠা - ১৫০)

উপন্যাসখনৰ আগছোৱা পঢ়ি থাকিলে পঢ়ুৱৈৰ মনত কেইটামান প্ৰশ্নই বাৰে বাৰে ক্ৰিয়া কৰি থাকে। তেনে কৰাকৈয়ে উপন্যাসখন নিৰ্মাণ কৰা হৈছে। প্ৰশ্নবোৰ হ'ল — ব্যক্তি জীৱনত শৰীৰেই সৰ্বস্ব নেকি? প্ৰেমত শৰীৰ ইমান প্ৰাসংগিক নে? শৰীৰ-চেতনা বাদ দিও ব্যক্তিৰ যি পৰিচয় থাকে, সেই পৰিচয়ক শৰীৰৰ বাসনাহীনতাই ঢাকি পেলাব পাৰে নেকি ? উপন্যাসখনৰ শেহলৈ কথক চৰিত্ৰটোৱে এই প্ৰশ্নকেইটাৰ ইতিবাচক উত্তৰ আৰু সমাধানৰ সুদূৰপ্ৰসাৰী বাট কাহিনীৰ মাধ্যমেৰে দাঙি ধৰিছে। শেষত তেওঁ লালন কৰি থকা কান্তাহঁতৰ পুৰণা ডায়েৰীবোৰ এৰি থৈ নতুনকৈ কেইখনমান ডায়েৰী হাতত তুলি লৈছে। এজাক হাঁহিমুখীয়া শিশু, প্ৰাণোচ্ছলতাৰে ভৰুণ হৈ থকা গাঁৱলীয়া মহিলা ডালিমী পেগু আৰু প্ৰেমক শৰীৰসৰ্বস্ব কামনাৰ উৰ্দ্ধত স্থাপন কৰা উপন্যাসিকাৰ মনৰ মানুহজন এই ডায়েৰীকেইখনৰ লগত সংলগ্ন হৈছে আৰু দেখুৱাইছে এটা বাট ! যে শৰীৰেই সকলো নহয়। প্ৰেমেৰে বাসনাহীনতাকো জয় কৰিব পাৰি।

এনেদৰেই নতুন বিষয় এটা নতুনকৈ পঢ়ুৱৈ সমাজক চিনাকি কৰি দি যুগ-যুগান্তৰৰে পৰা এলাগী হৈ থকা নাৰীৰ এটি গুৰুতৰ সমস্যাক গীতালি বৰাই প্ৰথমবাৰলৈ উপন্যাসৰ মাধ্যমেৰে সাহিত্য সমাজত তুলি ধৰিছে। এই কথা অকপটে স্বীকাৰ কৰা উচিত যে, নাৰী-পুৰুষৰ ( যদিও পোনপটীয়াকৈ পুৰুষৰ ফ্ৰিজিডিটিৰ বিষয়ে এতিয়ালৈকে জানিবলৈ পোৱা হোৱা নাই) এই শৰীৰৰ কাম-শীতলতা সন্দৰ্ভত অধ্যয়ন আৰু আলোচনা দুয়োটাৰে প্ৰয়োজনীয়তা আছে। এখন সুখী আৰু সৰ্বাংগসুন্দৰ সমাজত নাৰীৰ ফ্ৰিজিডিটিৰ সমস্যাটো লুকাই নাথাকি যিমানেই পোহৰলৈ আহিব, সিমানেই সমাধানৰ পথ ওলাব আৰু নাৰী-জীৱন আসোঁৱাহমুক্ত হ'ব। বাসনাহীন বহুতো নাৰীৰ বাবে হয়তো এই উপন্যাসখন হৈ পৰিছে, আন্ধাৰৰ কিঞ্চিৎ পোহৰ, সকাহৰ এটি মাত। সঁচাৰ্থত গীতালি বৰাৰ এই প্ৰয়াসে আগন্তুক দিনত আলোচনা-গৱেষণাৰে এটা যুগান্তকাৰী সমাধানসন্ধানী বাটৰ সূচনা কৰিলে। কাৰণ তেওঁ উপস্থাপন কৰা সমস্যাটো এতিয়া আমাৰ হাতে হাতে।

**ইলা বৰা**
**প্ৰাক্তন ছাত্ৰী**

# নাহৰৰ নিৰিবিলি ছাঁঃ এক গভীৰ সমালোচনামূলক অৱলোকন

অসমীয়া উপন্যাস-সাহিত্যৰ ক্ষেত্ৰখনত অনুৰাধা শৰ্মা পূজাৰীৰ “নাহৰৰ নিৰিবিলি ছাঁ” এক অৰ্থবহ সংযোজন। উপন্যাসখন কেৱল মাথোঁ সাহিত্যকৃতিয়েই নহয়, ই মানৱজীৱনৰ এক গভীৰ মনস্তাত্ত্বিক, সাংস্কৃতিক আৰু দাৰ্শনিক সংকটসমূহৰ এক শিল্পসন্মত দলিল।

**প্ৰতীক আৰু দৰ্শন:**

উপন্যাসখনৰ মূল প্ৰতীক “নাহৰ গছ”। নাহৰৰ নিৰিবিলি ছাঁ মানে শান্তি, আশ্ৰয় আৰু জীৱনৰ এক স্নিগ্ধ দিশ। কিন্তু লেখিকাই দেখুৱাইছে যে এই ছাঁ কেৱল আশ্ৰয়েই নহয়, ই এটা আত্মসন্ধানৰ প্ৰক্ৰিয়া। মানুহে যেতিয়া সমাজৰ ব্যস্ততা, যাতনা আৰু বিভ্ৰান্তিৰ পৰা ক্লান্ত হয়, তেতিয়াই প্ৰকৃতিৰ এই নিৰিবিলিতাৰ প্ৰতি আকৃষ্ট হয়। এইদৰেই নাহৰৰ ছাঁ হৈছে এক দাৰ্শনিক প্ৰতীক মানৱজীৱনৰ কোলাহলৰ মাজত নৱজীৱনৰ সন্ধান।

**নাৰী-জীৱনৰ আত্মসন্ধান:**

উপন্যাসখনত বিশেষকৈ নাৰী চৰিত্ৰ কেন্দ্ৰীয় শক্তি হিচাপে প্ৰস্ফুটিত হোৱা দেখা যায়। অনুৰাধা শৰ্মা পূজাৰীয়ে নাৰীৰ অন্তৰঙ্গ মানসিক যাতনা, সমাজৰ অৱহেলা আৰু সত্বা সন্ধানৰ বেদনাক সূক্ষ্মভাবে প্ৰতিফলিত কৰিছে। এই নাৰী চৰিত্ৰবোৰৰ জীৱন-মুখী সংগ্ৰামত মূলতঃ এনেধৰণৰ প্ৰশ্ন উদয় হয় —

নাৰীজীৱন কি কেৱল মাত্ৰ পৰম্পৰা, দায়িত্ব নে আত্মবিলোপৰ লগত সীমাবদ্ধ?
নে তেওঁলোকৰো আছে নিজস্ব পৰিচয়, নিজস্ব স্বপ্ন আৰু আত্মঅস্তিত্বৰ অধিকাৰ?

**সমকালীন সমাজৰ প্ৰতিচ্ছবি:**

“নাহৰৰ নিৰিবিলি ছাঁ” কেৱল ব্যক্তিগত যাতনাৰ লগতেই জড়িত নহয়, ই সমগ্ৰ সমাজৰ এক প্ৰতিচ্ছবি। সামাজিক মূল্যবোধৰ স্খলন, আধুনিকতাৰ চাপ, মানুহৰ একাকীত্ব, পৰম্পৰা আৰু আধুনিকতাৰ দ্বন্দ্ব—এই সকলোবোৰে উপন্যাসখনক বিশ্ব সাহিত্য প্ৰবাহৰ সৈতে সংযুক্ত কৰি তোলে। লেখিকাই উপন্যাসখনৰ মাধ্যমেৰে দেখুৱাইছে যে সমাজৰ অস্থিৰতাই মানুহক অন্তৰ আত্মাৰ নিৰিবিলিতালৈ ঠেলি দিয়ে।

**ভাষা আৰু শৈলী:**

অনুৰাধা শৰ্মা পূজাৰীৰ ভাষা কাব্যময়, সংবেদনশীল আৰু চিন্তাশীল। প্ৰতিটো বৰ্ণনাই যেন পাঠকৰ অন্তৰত ধ্বনিত হৈ নিজৰ অস্তিত্বৰ বিষয়ে ভাবিবলৈ বাধ্য কৰে। লেখিকাই কাব্য, সংগীত আৰু প্ৰকৃতিৰ চিত্ৰকল্পতকৈ উপন্যাসখনৰ শিল্পশৈলীক অধিক সমৃদ্ধ কৰিছে।ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অধ্যয়নৰত সময়ছোৱাৰ হোষ্টেলীয়া জীৱনৰ কিছু ব্যক্তিগত তিতা-মিঠা অভিজ্ঞতাৰ লগতে একান্ত নাৰীৰ গোপন কিছু শিহৰিত কাহিনীক লৈ ৰচিত 'নাহৰৰ নিৰিবিলি ছাঁ' উপন্যাসখন পুংখানুপুংখভাৱে অধ্যয়ন কৰি স্পষ্টভাৱে ক'ব পৰা যায় যে- সাহিত্যিক অসমীয়া ভাষা, বাক্য গঠন ৰীতিকে ধৰি আটাইবাৰে ব্যাকৰণগত ৰূপ ঔপন্যাসিকৰ ৰচনাশৈলীত স্পষ্টভাৱে ফুটি উঠিছে।

মুঠৰ ওপৰত “নাহৰৰ নিৰিবিলি ছাঁ” মূলতঃ নাৰীৰ অন্তৰঙ্গ অভিজ্ঞতা আৰু সমাজ-জীৱনৰ দ্বন্দ্বৰ মাজত এক উচ্চস্তৰীয় চিন্তাধাৰাৰ অনুসন্ধান বুলি আমি ক'ব পাৰো।

তৃষ্ণা বৰা
শিক্ষাতত্ব বিভাগ
পঞ্চম ষান্মাসিক

# জুৰী বৰা বৰগোহাঞি

অসমীয়া সাহিত্য জগতৰ এগৰাকী ঔপন্যাসিক গল্পকাৰ আৰু প্ৰবন্ধকাৰ হৈছে জুৰী বৰা বৰগোহাঞি। তেখেতৰ জন্ম হৈছিল অসমৰ বৰ্তমান মাজুলী জিলাত ১৯৭৮ চনৰ ২০ ছেপ্টেম্বৰত। পিতৃ হৈছে মহেন্দ্ৰ বৰা আৰু মাতৃ বীণা বৰা। তেওঁ মাজুলী কানকুৰিকা উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষাজীৱন আৰম্ভ কৰি আউনীআটী উচ্চ মাধ্যমিক বিদ্যালয় আৰু তাৰ পাছত মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰি পৰৱৰ্তী সময়ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞান বিষয়ত স্নাতকোত্তৰ আৰু এম ফিল ডিগ্ৰী আহৰণ কৰে। ইয়াৰ লগে লগে তেখেতে ৰাজনীতি বিজ্ঞানৰ নিৰ্দিষ্ট বিষয়ত গৱেষণাত ব্ৰতী হয়। ২০০৪ চনত প্ৰকাশ হোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নন্দিনী জুৰী বৰা বৰগোহাঞিৰ প্ৰথম উপন্যাস মহীয়সী নাৰী জয়মতীৰ জীৱনগাথাঁৰে লিখা উপন্যাস “নাং-ফাৰ” জৰিয়তে তেখেতে অসমৰ সাহিত্য জগতত এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিবলৈ সক্ষম হয়। ইয়াৰ লগতে তেওঁ ঐতিহাসিক ষ্টিলৱেল ৰোড নিৰ্মাণৰ আঁৰৰ কাহিনীৰে উপন্যাস লিড’লাম ৰচনা কৰিছে। এতিয়ালৈকে ১১খন উপন্যাস, ১খন উদ্ভিদ বিষয়ক গ্ৰন্থ, ১খন সম্পাদিত গ্ৰন্থ প্ৰকাশ হোৱা জুৰী বৰা বৰগোহাঞিৰ ২৩খন উপন্যাস শতাধিক গল্প, ভ্ৰমণ সাহিত্য, প্ৰবন্ধ তথা অন্যান্য লেখা বিভিন্ন কাকত আলোচনীত প্ৰকাশ পাইছে। লগতে দূৰদৰ্শন, অনাতাঁৰ যোগে বিভিন্ন বিষয়ৰ তথ্যচিত্ৰ, প্ৰবন্ধ, কথিকা আদি প্ৰচাৰিত হৈছে। জুৰী বৰা বৰগোহাঞিৰ এখন উল্লেখযোগ্য আৰু খুবেই জনপ্ৰিয় উপন্যাস হৈছে "ভোক"। য'ত উপন্যাসৰ চৰিত্ৰবোৰৰ জীৱনৰ দুৰৱস্থা, বিশেষকৈ নাৰীসকলৰ শাৰীৰিক, মানসিক, নিৰ্যাতন, সামাজিক আৰ্থিক দুৰৱস্থা প্ৰকাশ পাইছে। উপন্যাসখনত এগৰাকী ভগনীয়া ছোৱালীৰ দুৰ্দশাৰে নাৰীৰ জীৱনৰ উপস্থাপন কৰা হৈছে। যি পেটৰ মোক আৰু পৰিৱেশৰ বাবে পতিতাবৃত্তিৰ দৰে পথ বাচি লবলৈ বাধ্য হৈছিল। গ্ৰন্থ খনৰ আৰম্ভণিতে তেওঁ লিখিছে যে এবাৰ তেওঁ নৈশ বাছেৰে গৈ থাকোঁতে হঠাতে পুলিচে বাছখন ৰখাই বাছৰ পৰা এজনী সৰু ছোৱালী নমাই নি বিভিন্ন প্ৰশ্নৰে তাইক ধাৰাষাৰ কৰে। সেয়ে ঘটনাটোৰ বুজ ল'বলৈ লেখিকাই পুলিচৰ লগত কথা পাতি গম পাই যে তাই বিক্ৰী হৈছে। তাইৰ বাবে শিৱসাগৰত দালল ৰৈ আছে। এনেদৰে এই কাহিনীটো বুজিবলৈ তেওঁ বিভিন্ন ঠাইলৈ গৈ "ভোক" উপন্যাসৰ পাতনি মেলিছিল। ভোক বুলি ক'লে সাধাৰণতে পেটৰ ভোকৰ কথা বুজা যায়। কিন্তু এই উপন্যাসখনত পেটৰ ভোকৰ বাবে কিদৰে এজনী ছোৱালীয়ে  নিজৰ শৰীৰ  পুৰুষৰ ওচৰত বিক্ৰী কৰিব লগা হৈছিল সেই কথা তাত বৰ্ণনা কৰা হৈছে। এই উপন্যাসখনত লেখিকাই সমাজৰ দৰিদ্ৰ লোকসকলৰ ক্ষুধা, যন্ত্ৰণা, আৰু মানৱীয় মৰমৰ অভাৱক অত্যন্ত বাস্তৱধৰ্মীভাৱে প্ৰকাশ কৰিছে।

ইয়াত “ভোক” শব্দটোৱে কেৱল আহাৰৰ ক্ষুধা নহয়, ই ন্যায়, মৰম, স্নেহ আৰু মৰ্যাদাৰো ক্ষুধা বুজায়। উপন্যাসখন সমাজৰ নিম্নবৰ্গীয় জীৱনৰ নিদাৰুণ দিশবোৰ প্ৰকাশ কৰে। ধনী-দৰিদ্ৰ বৈষম্য, নৈতিক মূল্যবোধৰ হ্ৰাস, আৰু সমাজৰ শোষণব্যৱস্থা ইত্যাদি বিষয় ইয়াত সুকৌশলে চিত্ৰিত হৈছে।

তেওঁৰ আন কিছুমান গল্প আৰু প্ৰবন্ধতো মহিলাৰ পৰিস্থিতি, শিক্ষা, আত্মসন্মান আৰু সমাজত থকা অসাম্যৰ ওপৰত চিন্তন কৰা হৈছে।

সাহিত্যিক বৈশিষ্ট্য:

**1. বাস্তৱধৰ্মী সমাজচিত্ৰ:**

তেওঁৰ লেখাত সমাজৰ বাস্তৱ ছবি অতি নিখুঁতভাৱে প্ৰকাশ পায়। পাঠক সকলে তেওঁলোকৰ নিজৰ জীৱনৰ প্ৰতিফলন সেই সাহিত্যত দেখা পায়।

**2. মানৱতাবাদ:**

তেওঁ বিশ্বাস কৰে — সাহিত্যৰ উধ্বত থাকিব লাগে মানৱতা। মানুহৰ দুখ-কষ্টক বুজি তাতে সহানুভূতি প্ৰকাশ কৰাই হৈছে তেওঁৰ মূল দৃষ্টি।

**3. মহিলাৰ সংগ্ৰাম:**

মহিলা হিচাপে তেওঁ সমাজত মহিলাসকলৰ ভূমিকা, সংগ্ৰাম, অপমান আৰু প্ৰতিঘাতৰ বিষয় গভীৰভাবে তুলি ধৰে।

**4. সহজ ভাষা:**

তেওঁৰ লেখাৰ ভাষা সহজ, প্ৰাঞ্জল আৰু স্পষ্ট। কৃত্ৰিমতা বা অলংকাৰিত ভাব নাই — তাৰ সলনি আছে সত্যৰ নিখুঁত প্ৰতিফলন।

**5. নৈতিকতা আৰু ন্যায়ৰ প্ৰতি আহ্বান:**

তেওঁ নিজৰ সাহিত্যৰ জৰিয়তে পাঠকক সমাজৰ অন্যায়বিৰোধী হ’বলৈ আহ্বান জনায়। জুৰী বৰগোহাঞি বিশ্বাস কৰে — “সাহিত্য মানৱতাৰ প্ৰতিবিম্ব। সাহিত্যই সমাজৰ অন্যায়, দুখ, কষ্ট বুজাই মনুষ্যক সজাগ কৰে।” তেওঁৰ মতে, লেখক এজনৰ দায়িত্ব কেৱল ৰস সৃষ্টিত সীমাবদ্ধ নহয়; সমাজৰ দুখৰ বৰ্ণনা কৰি পৰিবৰ্তনৰ পথ দেখুৱাওৱাটোও সাহিত্যৰ কৰ্ম। জুৰী বৰগোহাঞিৰ লেখাই সমাজত এক নতুন চিন্তাধাৰা প্ৰৱেশ কৰাইছে। তেওঁৰ দৃষ্টিত দৰিদ্ৰ মানুহ, বিশেষকৈ মহিলাসকল, সমাজৰ প্ৰান্তিক অংশ নহয়, তেওঁলোকে সমাজৰ জীৱন্ত প্ৰতিচ্ছবি। তেওঁৰ সাহিত্য পাঠকৰ অন্তৰত সহানুভূতি, দায়িত্ববোধ আৰু ন্যায়প্ৰেম জাগ্ৰত কৰে।

**জুৰি কলিতা**
**উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিক**

# গ্ৰন্থ আলোচনা

গ্ৰন্থৰ নাম: মাকাম

## লেখিকাৰ চমু বিৱৰণ --

ৰীতা চৌধুৰী অসমীয়া সাহিত্যৰ এগৰাকী খ্যাতনামা সাহিত্যিকা , শিক্ষাবিদ আৰু সমাজসেৱী । তেওঁৰ জন্ম ১৯৫৩ চনত অসমত হৈছিল। তেওঁ মূলতঃ উপন্যাসিকা হিচাপে জনাজাত আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সভানেত্ৰীও আছিল। তেওঁৰ উল্লেখযোগ্য উপন্যাস সমূহৰ ভিতৰত অন্যতম এখন গ্ৰন্থ হৈছে "মাকাম "। ঐতিহাসিক উপন্যাস "মাকাম " অসমবাসীৰ ইতিহাস আৰু সামাজিক পৰিস্থিতিৰ বিৱৰণ দিয়ে ।

## বিষয়বস্তু --

"মাকাম"উপন্যাসত সেইবোৰ দুখ -দুৰ্দশা , নিৰ্বাসন , বিচ্ছেদ আৰু ইতিহাসৰ অন্ধকাৰ দিশক প্ৰকাশ কৰা হৈছে ।

## সাৰাংশ --

"এতিয়া নাই 1962 চনৰ যুদ্ধৰ সেই ভয়াবহতা। নাই কোনো অস্থিৰতা। মচ খাই গৈছে ভাৰত চীন যুদ্ধৰ সকলো স্মৃতি। ইতিহাসৰ পৃষ্ঠাত লুকাই পৰিছে সকলো জীয়া কাহিনী। তথাপিও আমাৰ মনৰ পৰা মচিব পৰা নাই সেই জীয়া কাহিনী.........."

মই এতিয়ালৈকে অধ্যয়ন কৰা গ্ৰন্থ সমূহৰ ভিতৰত "মাকাম" খন অন্যতম । অসমত থকা চীনা মূলীয় লোক সকলৰ পটভূমিত ৰচিত মাকাম উপন্যাস খন নিঃসন্দেহে এখন উল্লেখযোগ্য গ্ৰন্থ। উপন্যাস খনৰ লেখিকা ড° ৰীতা চৌধুৰী বাইদেৱে অসমত থকা তথা 1962 চনৰ ভাৰত চীন যুদ্ধৰ সময়ত চীনা মূলীয় ভাৰতীয় সকলে কেনেকৈ নিৰ্যাতিত হৈ দেশৰ পৰা ৰাজনৈতিক ভাৱে বিতাৰিত হ'ব লগীয়া হৈছিল সেয়া সুন্দৰ ভাৱে বৰ্ণনা কৰিছে। তিনিটা খণ্ডত বিভক্ত এই বৃহৎ কলেৱৰৰ উপন্যাস খনত বৰ্ণিত হৈছে যুদ্ধৰ সময়ত অসম তথা ভাৰতত বসবাস কৰা চীনা লোক সকলক কৰা অকল্পনীয় অকথ্য নিৰ্যাতনৰ কথা । প্ৰথম খণ্ডত বৰ্ণিত আছে কেনেকৈ চিৰ জীৱন দাসত্বৰ বোজা কঢ়িয়াই ফুৰা চীনা কৃতদাস সকলক ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসমলৈ লৈ আনি চাহ খেতি খেতি কৰিবলৈ খটুৱাইছিল ।

চাহ বাগিচা স্থাপন কৰাকে ধৰি চাহ বাগিচাৰ সমস্ত কাৰ্য এওঁ লোকেই কৰিবলগীয়া হৈছিল। চাহ খেতি কৰি এসময়ত এওঁলোকে অসমতে স্থায়ী ভাৱে বসতি স্থাপন কৰিছিল। যুদ্ধৰ ভয়াবহতা, যুদ্ধই ভাঙি পেলোৱা একোখন ঘৰ, কোঙা কৰা একোখন সমাজৰ অবৰ্ণনীয় শোক গাঁথা, নিৰ্যাতিত হৈ কষ্টৰ বোজা সহিও পোহৰৰ দিশে ঢাপলি মেলা এজাক মানুহৰ শোক বিহ্বল জীৱন গাঁথাক লৈ লিখা মাকাম খন এক যুদ্ধৰ সময়ৰ ভয়াবহতাৰ জীৱন্ত দলিল। ইতিহাসৰ পৃষ্ঠাৰ আঁৰত লুকাই থকা সত্যতা তথা জীয়া কাহিনীৰ আধাৰত ৰচিত উপন্যাস খনত লেখিকা বাইদেৱে নিঃসন্দেহে মানৱতাৰ জয়গান গাইছে। তথ্য মতে মাকাম উপন্যাসখন ইংৰাজী ভাষাত লেখিকা ৰীতা চৌধুৰীয়ে নিজেই চাইনাটাউন ডেইজ্ (Chinatown Days) নামেৰে অনুবাদ কৰিছে। উপন্যাসখন বড়ো আৰু মাৰাঠী ভাষালৈও অনুবাদ কৰি উলিওৱা হৈছে। এই " মাকাম" গ্ৰন্থ কেৱল এখন উপন্যাসয়েই নহয়, ই বাস্তৱ ঘটনা , দেশপ্ৰেম, জাতীয় পৰিচয়, মনুষ্যত্বৰ গভীৰ অনুসন্ধান, ই হ'ল এটা জাতিৰ বেদনা আৰু অসম তথা ভাৰতৰ ইতিহাসৰ এক জলন্ত দলিল।

**নিহাৰিকা শইকীয়া**
**প্ৰথম ষান্মাসিক**
**ৰাজনীতি বিজ্ঞান বিভাগ**

# Shaping Assamese Literature: The Role of Women Novelists

In the 21st century, Assamese women novelists have emerged as key figures, profoundly influencing the literary landscape with their innovative storytelling and diverse perspectives. Despite historical challenges and societal expectations, these writers have made significant contributions to the genre, bringing diverse perspectives and experiences to the forefront.
Pioneering authors like Padmavati Devi Phukanani and Nalinibala Devi broke new ground, forged a path for future writers, shattering traditional boundaries defying conventions and paving the way for generations to come.Their remarkable talent and perseverance produced works that showcased their unique voice and perspective.

In recent years, notable writers such as Mamoni Raisom Goswami, Anuradha Sharma Pujari, Rita Chowdhury, Arupa Patangia Kalita, and others have continued to make their mark on Assamese literature. These women novelists have explored various themes, including historical events, tribal life, and social issues like joint family systems and child marriage.Their contributions have been widely celebrated, enriching the literary landscape and deepening our understanding of Assamese society. Women novelists have made significant contributions to 21st-century Assamese literature, bringing fresh perspectives and insights. Notable examples include Mamoni Raisom Goswami, known for works like "The Shadow of Kamakhya, which explores themes of identity and culture. Anuradha Sharma Pujari's works also shed light on women's experiences in Assamese society, highlighting issues like family dynamics and social expectations. These women have enriched Assamese literature with their unique voices. These women writers have together made a big impact on Assamese literature. By exploring the experiences and perspectives of women in Assam, these novelists have provided a unique voice and perspective, adding depth and diversity to the genre. Their works have become widely popular and influential, significantly shaping Assam's literary identity.

The works of women novelists in 21st-century Assamese literature encompass a diverse array of themes and trends. Historical fiction is a prominent genre, with many writers exploring Assam's rich cultural heritage through historical events and biographical accounts. Social issues are also a major focus, with authors tackling topics like joint family systems, polygamy, and child marriage to shed light on the complexities of Assamese society. Additionally, some novelists have given voice to marginalized groups by depicting the lives and struggles of tribal communities in Assam, offering a unique perspective on the region's diverse cultural landscape. Through these themes, women writers have provided profound insights into Assam's history, society, and culture.The contributions of women novelists have profoundly enriched Assamese literature, bringing diverse perspectives and experiences to the forefront. Their works have garnered widespread recognition and acclaim, resonating both within Assam and beyond.

The works of women novelists in 21st-century Assamese literature encompass a diverse array of themes and trends. Historical fiction is a prominent genre, with many writers exploring Assam's rich cultural heritage through historical events and biographical accounts. Social issues are also a major focus, with authors tackling topics like joint family systems, polygamy, and child marriage to shed light on the complexities of Assamese society. Additionally, some novelists have given voice to marginalized groups by depicting the lives and struggles of tribal communities in Assam, offering a unique perspective on the region's diverse cultural landscape. Through these themes, women writers have provided profound insights into Assam's history, society, and culture.The contributions of women novelists have profoundly enriched Assamese literature, bringing diverse perspectives and experiences to the forefront. Their works have garnered widespread recognition and acclaim, resonating both within Assam and beyond.

Although women novelists have made significant strides, they still face challenges such as societal pressures, family obligations, and limited opportunities. Nevertheless, the increasing acknowledgment of their literary contributions is paving the way for new opportunities for upcoming writers. As the literary landscape continues to evolve, it is likely that women novelists will remain at the forefront, shaping the direction of Assamese literature for generations to come.

In conclusion, Women novelists have played a vital role in shaping Assamese literature in the 21st century. They've added fresh perspectives and insights, making the genre richer. As Assamese literature grows, women writers will continue to contribute and influence its direction, bringing their unique voice and viewpoint. The future of Assamese literature will likely be shaped by the creative contributions of women novelists, making it interesting to see how they influence its development. With their unique perspectives and experiences, women novelists are set to play a key role in shaping the future of Assamese literature.

**Shelly Bedia**
**BA 5th Semester**
**Department of English**

# Problems of Women Novelists in 21st Century Assamese Fiction

The 21st century has brought many changes to Assamese literature, particularly in the field of fiction. A remarkable development is the increasing participation of women novelists, who have enriched Assamese novels with fresh ideas, unique themes, and innovative styles. They write about personal struggles, social issues, and cultural changes, and through their works they have given Assamese fiction a new dimension. However, the journey of women novelists has not been smooth or easy.

For a long time, Assamese literature was largely dominated by male writers, both in terms of recognition and criticism. Women were often limited to the background, either contributing in smaller ways or being stereotyped as writers of "emotional" and "domestic" issues. Although times have changed, and women novelists today hold an important place in Assamese fiction, the problems they face have also continued in new forms. These include gender bias, lack of institutional support, social prejudice, and the challenge of balancing personal and professional lives.

Understanding these problems is important because they highlight the hidden struggles behind women's literary achievements. When we examine the difficulties faced by Assamese women novelists, we not only acknowledge their courage but also recognize the larger issues of inequality and bias present in our society. This study makes it clear that the growth of Assamese fiction is linked not only to creativity but also to the ability of women writers to overcome obstacles in their path.

***Gender Bias and Discrimination —***

One of the most significant problems women novelists face is gender bias. Assamese literary circles are still influenced by patriarchal attitudes, where the writings of women are often dismissed as "personal" or "sentimental." While male authors are praised for their universal themes, women's writings are sometimes underestimated, even if they deal with equally important issues.

Critics and publishers often give more space and visibility to male writers, and this imbalance makes it harder for women to gain equal recognition. Even when women write about social and political issues like insurgency, migration, or cultural change, their works are sometimes read through the lens of gender rather than content. This unequal treatment remains a major barrier.

***Balancing Domestic and Creative Life —***

Another challenge for women novelists is the burden of balancing domestic responsibilities with their creative pursuits. In Assamese society, as in many other places, women are often expected to prioritize family, household duties, and caregiving roles over personal ambitions.

This social expectation limits the time and energy women can devote to writing. Many women writers have expressed how they struggle to find uninterrupted hours to think, research, and write. Unlike men, who often enjoy the privilege of undivided focus on their work, women novelists must divide their attention between family responsibilities and literary creativity. As a result, many talented voices remain underdeveloped or silenced.

## ***Lack of Institutional Support***

Publishing houses, literary awards, and academic institutions play a crucial role in shaping a writer's career. However, women novelists in Assam often find themselves at a disadvantage in these areas. Getting publishers, securing financial support, and gaining visibility in literary festivals or academic circles is still more difficult for women.

Even when women writers succeed in publishing, their works may not be marketed as widely as those of male writers. This limits their readership and reduces their influence. The absence of strong institutional support also means that women's contributions are sometimes left out of literary histories and critical discussions.

## ***Social Prejudices and Criticism —***

When women novelists write fearlessly about sensitive themes such as gender inequality, marital conflict, sexuality, or domestic violence, they often face criticism from conservative sections of society. Their works may be labeled "bold," "controversial," or "against tradition." This kind of moral judgment creates a culture of silence, where some women hesitate to express themselves freely. Instead of being celebrated for their courage, they are sometimes attacked personally, which discourages many from writing on important issues. The fear of social backlash becomes a problem that restricts creative freedom.

## ***Struggles for Recognition —***

Despite their valuable contributions, women novelists are often underrepresented in Assamese literary histories and critical studies. Male writers are frequently celebrated as the main contributors to Assamese fiction, while women's works remain in the margins.
Writers such as Arupa Patangia Kalita, Rita Chowdhury, and Anuradha Sharma Pujari have achieved popularity and recognition, yet even they had to struggle for acceptance in a space dominated by men. Their careers highlight both the possibilities and the difficulties faced by Assamese women novelists. Many lesser-known writers, however, are still waiting for their due recognition.

**Conclusion :**

The problems faced by women novelists in 21st century Assamese fiction reveal the unequal space women continue to occupy in literature and society. Gender bias, lack of institutional support, social prejudice, and the challenge of balancing family with creative life all create obstacles that limit their full potential. Even celebrated writers like Arupa Patangia Kalita, Rita Chowdhury, and Anuradha Sharma Pujari have had to fight against stereotypes and prejudices to secure their place in Assamese fiction. Yet, in spite of these challenges, Assamese women novelists have continued to write with courage, creativity, and resilience. Their works not only enrich Assamese literature but also challenge patriarchal norms by giving voice to women's experiences and broader social issues. The fact that they persist in writing, despite obstacles, is itself a powerful act of resistance and empowerment.

For Assamese fiction to grow into a truly inclusive and representative body of literature, it is essential to create a supportive environment for women writers. Publishers, critics, and academic institutions must recognize and encourage their contributions equally. Readers too must move beyond stereotypes and appreciate the richness of their narratives. If these problems are addressed, the 21st century will not only witness the rise of more women novelists but will also see Assamese fiction become stronger, more diverse, and more globally relevant. The journey of women writers is, therefore, not just their personal struggle but also a necessary step in the progress of Assamese literature as a whole.

Dibyajyoti Gogoi
BA 5th Semester
Department of Education

# অনুৰাধা শৰ্মা পূজাৰী

একবিংশ শতিকাৰ এগৰাকী বিশিষ্ট লেখক, শিক্ষাবিদ, গৱেষক, সাহিত্যিক, সাংবাদিক অনুৰাধা শৰ্মা পূজাৰী নাৰী সমাজৰ এগৰাকী আদৰ্শ মহিলা। সাহিত্যৰ বিভিন্ন শাখাত তেওঁ নিজকে প্ৰতিষ্ঠা কৰিছে উপন্যাস, কবিতা , গল্প, প্ৰবন্ধ সমালোচনা আদি শাখাত তেওঁৰ অৱদান মন কৰিবলগীয়া। মহিলা জীৱনৰ অভিজ্ঞতা, সামাজিক সমস্যা আৰু সংস্কৃতিৰ বৈচিত্ৰ্য তেওঁৰ লেখনিৰ মূল বিষয়বস্তু। তেখেতৰ জন্ম হৈছিল ১৯৬৪ চনত যোৰহাটত। অনুৰাধা শৰ্মা পূজাৰীয়ে যোৰহাটৰ পৰা শিক্ষা জীৱনৰ পাতনি মেলে । তেওঁ যোৰহাটৰ দেৱীচৰণ বৰুৱা মহাবিদ্যালয়ৰ পৰা স্নাতক পৰীক্ষাত উত্তীৰ্ণ হৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা সমাজশাস্ত্ৰ বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে । ইয়াৰ পিছত তেওঁ কলিকতাৰ বিৰল ইনষ্টিটিউট অৱ লিবাৰেল আৰ্টছ এণ্ড মেনেজমেন্ট সাংবাদিকতাৰ পাঠ্যক্ৰম সম্পূৰ্ণ কৰি পশ্চিমবঙ্গ বোলছবি কেন্দ্ৰ, তথ্য আৰু সাংস্কৃতিক দপ্তৰৰ অধীনত আৰ্ট এণ্ড ফিল্ম এপ্ৰিহিয়ে পাঠ্যক্ৰমো সমাপ্ত কৰে। কলিকতাৰ একাডেমী অব ফাইন আৰ্টচৰ অধীনত শিক্ষকতাৰে কৰ্মজীৱন আৰম্ভ কৰা শৰ্মা পূজাৰীয়ে "আমাৰ অসম" কাকতত সাংবাদিকতা কৰি জীৱন নিৰ্বাহ কৰে। বৰ্তমান তেওঁ " সাদিন" নামৰ সাপ্তাহিক কাকত আৰু " সাতসৰী" নামৰ মাহেকীয়া আলোচনীৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে।

## সাহিত্যকৃতি:

অনুৰাধা শৰ্মা পূজাৰীৰ সাহিত্যকৃতি মন কৰিবলগীয়া। তেওঁৰ সহজ-সৰল ভাষাভংগীৰে পাঠকৰ মনত আলোড়নৰ সৃষ্টি কৰে।

১/"হৃদয় এক বিজ্ঞাপন" হৈছে অনুৰাধা শৰ্মা পূজাৰীয়ে ৰচনা কৰা প্ৰথম খন উপন্যাস। একো একোজন ব্যক্তিৰ মনৰ মাজত চলি থকা প্ৰেম, বিষাদ, বিদ্বেষ, অন্তদ্বন্দ্ব আদি অনুভৱসমূহক লেখিকাই ভাস্বতী, প্ৰয়াগ, মহুৱা, চিন্ময় আদি চৰিত্ৰসমূহৰ যোগেদি উপন্যাসখনত প্ৰস্ফুটিত কৰি তুলিছে। উপন্যাসখনত মোৰ এটা ভাল লগা বাক্য হৈছে : " বয়সৰ ওচৰত মনৰ ৰঙক হাৰ মানিবলৈ নিদিয়াজনহে প্ৰকৃত জীৱন আৰু যৌৱনৰ উপাসক।"

২/এজন ঈশ্বৰৰ সন্ধানত হৈছে অনুৰাধা শৰ্মা পূজাৰীয়ে ৰচনা কৰা দুখন উপন্যাসিকাৰ সংকলন। ইয়াৰে এখন হৈছে "এজন ঈশ্বৰৰ সন্ধানত" আনখন হ'ল "নিৰ্বাসিত গোলাপ" ।

৩/ কাঞ্চন: অনুৰাধা শৰ্মা পূজাৰীৰ "কাঞ্চন" নামৰ উপন্যাসখন ২০০১ চনত প্ৰকাশ লাভ কৰে। এই উপন্যাসখন কাঞ্চন নামৰ এগৰাকী ছোৱালীৰ জীৱন কাহিনী চিত্ৰিত কৰা হৈছে কাঞ্চনক কিছুমান সংকীৰ্ণ মনৰ পুৰুষে অবিৰতভাৱে প্ৰতাৰণা আৰু যৌন নিৰ্যাতন চলোৱাৰ কাহিনী সন্নিবিষ্ট আছে।

৪/ চাহেবপুৰাৰ বৰষুণ- অনুৰাধা শৰ্মা পূজাৰীৰ" "চাহেবপুৰাৰ বৰষুণ" নামৰ উপন্যাসখন ২০০৩ চনত প্ৰকাশ লাভ কৰে। চাহেবপুৰা নামৰ এখন গাঁৱৰ সমাজকৰ্মীসকলৰ এক দু: সাহসিক যাত্ৰা এই উপন্যাসখনে পোহৰলৈ আনিছে।

৫/বৰাগী নদীৰ ঘাট : "বৰাগী নদীৰ ঘাট"এই উপন্যাসখন প্ৰকাশ হৈছিল ২০০৪ চনত এই উপন্যাসখনত মধ্য আৰু নিম্নবিত্ত পৰিয়ালৰ জীৱন কাহিনী বৰ্ণনা কৰা হৈছে।

৬/নাহৰৰ নিৰিবিলি ছাঁঃ ২০০5 চনত প্ৰকাশিত অনুৰাধা শৰ্মা পূজাৰীৰ এই উপন্যাসশন লেখিকাৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত পঢ়ি থকা সময়ত ডায়েৰী বুলি অভিহিত কৰিব পাৰি । সেই সময়ত তেওঁ লগ পোৱা চৰিত্ৰবোৰ আৰু তাত থকা দুবছৰত সংঘটিত হোৱা সকলো পৰিঘটনাৰ কথা কিতাপখনত স্পষ্টকৈ উল্লেখ কৰা হৈছে।

৭/ ৰাগ অনুৰাগঃ অনুৰাধা শৰ্মা পূজাৰীৰ এখন উপন্যাস হাল ৰাগ-অনুৰাগ। এই সামাজিক উপন্যাসখনত alt-lext = "book cover with blue sky and clouds ৰ অভিনয় শিল্পীৰ সংগ্ৰাম আৰু ইলেক্ট্ৰনিক মাধ্যমৰ প্ৰভাৱৰ বিষয়ে বৰ্ণনা কৰা হৈছে।

৮/ সোন হৰিনৰ চেকুঁৰঃ ২০১২ চনত প্ৰকাশিত 'সোন হৰিণৰ চেকুঁৰ উপন্যাসখনও লেখিকাই এনে যুৱক- যুৱতীসকলৰ বাবে উৎসৰ্গিত কৰিছে যিসকলে নিজৰ কেৰিয়াৰক লৈ অতি সচেতন আৰু উত্তেজিত হৈ পৰে আৰু বিফল হলে প্ৰায় আত্মহত্যাৰ দৰে পথ বাচি লয়। জীৱনটো এক অতি আকৰ্ষণীয় যাত্ৰা। ই অতি মূল্যৱান আৰু ইয়াক অৱাবত ধ্বংস কৰি পেলাব নালাগে । এই উদ্দেশ্য আগত ৰাখি "সোন হৰিণৰ চেকুঁৰ" উপন্যাসখন লিখিছে।

৯/ নীল প্ৰজাপতিঃ এই উপন্যাস খনত দাম্পতীৰ মাজত থকা সৰু সৰু সমস্যা আৰু প্ৰেমৰ দৃষ্টি দৃশ্য সন্নিৱিষ্ট কৰিছে।

১০/ ইয়াত এখন অৰণ্য আছিল: ২০১১ চনত সাহিত্য অকাডেমী বঁটা পাবলৈ সক্ষম হোৱা ইয়াত এখন অৰণ্য আছিল' এখন বিখ্যাত গ্ৰন্থ। ৰ'দ বৰষুণৰ পৰা ৰক্ষা পাবলৈ বাসস্থানৰ প্ৰয়োজন। কিন্তু সেইবুলি নিজক নিৰাপদ কৰিবলৈ জানো আনক নিৰাপত্তাৰ পৰা বঞ্চিত কৰাতো উচিত। প্ৰকৃতিৰ অমূল্য দান ধ্বংস কৰি মানৱ সভ্যতা উন্নতি হ'বনে? এখন অৰণ্য যেতিয়া গঢ়ি তোলা অতি দুৰূহ তেন্তে সেইখন অৰণ্য ধ্বংস কৰাৰ অধিকাৰো মানুহৰ নাই। অৰ্থাৎ অৰণ্য ধ্বংসৰ ওপৰতে এই উপন্যাস খন লিখি উলিয়াইছে।

**<u>গল্প সংকলন-</u>**

তেখেতৰ গল্প সংকলন কেইখন হল-"বসন্তৰ গান"; ১৯৯৯; "এজন অসামাজিক কবিৰ বায়গ্ৰাফী" : ২০০১, "কেথৰিনাৰ সৈতে এটা নিৰ্জন দুপৰীয়া", ২০০৫, "ন মেনছ লেণ্ড", আত্মজীৱনীমূলক ৰচনা "কলিকতাৰ চিঠি", ১৯৯৯, "ডায়েৰী", ২০০১ "অট'গ্ৰাফ," ২০০৪ "প্ৰিয় মানুহ, প্ৰিয় কথা" ২০১৩ আদি।

অনুৰাধা শৰ্মা পূজাৰীৰ সাহিত্যৰাজীয়ে অসমীয়া সাহিত্য সম্ভাৰত বিশেষ বৰঙনি আগবঢ়াইছে। তেওঁৰ সহজ-সৰল উৎকৃষ্ট মানৰ সাহিত্যৰ বাবে কেইবাটাও বঁটা পাবলৈ সক্ষম হৈছে। সেই সমূহ হল- "ইয়াত এখন অৰণ্য আছিল" উপন্যাসৰ বাবে ২০১১ চনত সাহিত্য অকাডেমি বঁটা লাভ কৰে।সাহিত্য আৰু সংবাদসেৱালৈ তেওঁ আগবঢ়োৱা অৱদানৰ বাবে ২০১৩ চনত ৰেনেঁছা অসম বঁটা" লাভ কৰে, ২০০৩ চনত অসম সাহিত্য সভাৰ পৰা KUMAR KISHORE MEMORIAL LITERARY AWARD লাভ কৰে। ২০০৩ চনত 'চাহেবপুৰাৰ বৰষুণ উপন্যাসখনৰ বাবে অসম সাহিত্য সভাই তেওঁক শ্ৰেষ্ঠ উপন্যাসিকৰ বঁটা প্ৰদান কৰিছিল।

অনুৰাধা শৰ্মা পূজাৰীক এই প্ৰজন্মৰ অন্যতম জনপ্ৰিয় লেখিকা বুলি বিবেচনা কৰা হয়। তেওঁ সাংবাদিকতা আৰু সাহিত্য-দুয়োটা ক্ষেত্ৰতে উজ্জ্বল উপস্থিতি লৈ অসমীয়া সাহিত্য আৰু সংবাদজগতক সমৃদ্ধ কৰিছে।

**নিতাশ্ৰী বৰা**
**প্ৰাক্তন ছাত্ৰী**
**অসমীয়া বিভাগ**

# কবিতাৰ শিতান

# অমাবস্যাৰ অন্ধকাৰত - নাৰী

তুমি প্ৰকৃতিৰ অপৰূপা দান
তুমি হাস্যময়ী.............
তুমি লাস্যময়ী...............।
গীতাই কয়........
তুমি স্বজনশীলতাৰ প্ৰথম অৱতাৰ ।
তোমাৰ অবিহনে কত জীৱন উকা .........
লগতে তোমাৰ অবিহনে এই সংসাৰ মিছা .......
সেয়া হেনো সময়ৰ কুটিল গতি..................
যত অমাৱস্যাৰ অন্ধকাৰত প্ৰগতিৰ শিখা জ্বলোৱা তুমি দেৱী ..
আৰু অমাবস্যাৰ অন্ধকাৰৰ সুযোগ লৈ তোমাৰ সন্মানে লুণ্ঠন কৰা
কিছুমান পাপী ...
সেয়া হেনো সময়ৰ কুটিল গতি.............
যত ভালপোৱাৰ নামত নিজৰ জীৱনো উৎসৰ্গা কৰা ৰাম - ৰাৱণৰ
যুগ..
আৰু ভালপোৱাৰ নামত মিছা প্ৰবঞ্চনাৰে তোমাৰ দেহত চকু দিয়া
এইয়া আমাৰ যুগ ..
সেইবাবে কবিৰ দৃষ্টিত মই কব খোজোঁ......
স্বজনশীলতাৰ প্ৰথম অৱতাৰ নাৰীক ...
ভালপোৱা সন্মানেৰে তেওঁৰ দেহৰ আচৰণে নহয়
কাৰণ .......
ভালপোৱাৰ অন্য এক নাম হল তেওঁক সন্মান কৰা ....
না তেওঁক মায়াৰ মাজেৰে ব্যভচাৰি কৰা ।

স্বপ্নিল অঞ্জন দাস
উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিক

# তুমি নাৰী

তুমি এগৰাকী নাৰী
তুমি পখিলাৰ দৰে
উৰিব বিচৰা ,
কিন্তু তোমাৰ ডেউকা
আন কাৰোবাৰ হাতত ।
তুমি নদীৰ দৰে
বৈ যাব বিচৰা,
কিন্তু তোমাৰ প্ৰবাহ
আন কোনোবাই নিয়ন্ত্ৰণ কৰে ।
অথচ তুমি মৌন!
আহাচোন,
ডেউকা জোঁকাৰি উৰি যাওঁ
পিতৃতান্ত্ৰিক এই সমাজৰ
শিকলি ভাঙি পেলাওঁ ।
তুমি শক্তিশালী হোৱা...
তুমি সাহসী হোৱা...
তোমাৰ যন্ত্ৰণাক
তুমি প্ৰজ্ঞালৈ ৰূপান্তৰ কৰা,
তোমাৰ দুখক
তুমি শক্তিলৈ ৰূপান্তৰ কৰা।
উজুতি খাব পৰা,
কিন্তু তুমি থমকি নৰবা।
তোমাৰ গোপনীয় শক্তিক
তুমি জাগ্ৰত কৰা,
আৰু দেখিবা..,
তোমাৰ সপোনক
তুমি বাস্তৱত পৰিণত কৰিবলৈ
সক্ষম হৈছা।
কাৰণ তুমি এগৰাকী সাহসী নাৰী।

**বৰষা দাস**
**তৃতীয় ষাণ্মাসিক**
**ৰাজনীতি বিজ্ঞান বিভাগ**

# নাৰী জীৱন

নাৰী - তুমি সপোনৰ আঁচল,
মমতাৰ সাগৰ, সাহসৰ দল।
ঘৰত তুমি শান্তিৰ ঠাই,
জীৱনৰ পথত আশা জ্বলাই।

শিশুৰ হাঁহিত তুমি মা ,
সপোন গঢ়া তুমি প্ৰিয় মা।
কেতিয়াবা যোদ্ধা, কেতিয়াবা স্নেহৰ ধাৰ,
বতাহৰ দৰে পাৰ হোৱা দুৱাৰ।

নাৰী - তুমি মৰমৰ ধাৰ,
তুমি সৃষ্টিৰ সঁচা অধিকাৰ।
নাৰী - তুমি জীৱনৰ প্ৰাণ,
সৃষ্টিৰ পথত তুমি মহান।

**অৰ্পনা ভৰালী**
**একাদশ শ্ৰেণী**

## ***Her Pen, Her Dawn***

Once the pages bore only distant names,
Histories written in borrowed flames.
Yet in this century, soft yet strong,
Women stepped forth where they belonged.
Their pens became rivers, flowing free,
Unfolding truths the world failed to see.
Not shadows anymore, but voices alive,
They made Assamese fiction breathe and thrive.

She writes of silence behind closed doors,
Of unspoken pain the heart endures.
But also of laughter, resilience, and song,
Of women who knew they'd suffered too long.
Her heroines walk with fearless grace,
Questioning the chains they must replace.
In every chapter, a mirror is drawn,
Of lives once hidden, now brightly shone.

Beyond the hearth, her vision flies,
To cities, conflicts, and stormy skies.
She tells of borders, migration, despair,
Of fractured lands, yet hope still there.
Her language weaves both old and new,
Tradition deep, yet modern too.
The novel becomes not just a tale,
But a ship of truth with a fearless sail.

So let us remember these voices today,
Who turned the dark into light's own way.
Arupa's fire, Rita's song,
Anuradha's dreams that carry along.
Through every word, a future is spun,
A literature widened, a battle won.
In Assamese fiction, their place.

**Dibyajyoti Gogoi**
**BA 5th Semester**
**Department of Education**

# ***The Heart of Our Days***

Step inside, the world slows down,
No heavy weights, no weary frown.
This is the place where friendships grow,
Where every smile sets hearts aglow.

We share our laughter, loud and free,
Our whispered secrets, you and me.
Stories told of hopes and fears,
Dreams we've held for many years.

The walls have heard our endless talk,
Our midnight plans, our evening walk.
From silly jokes to heartfelt care,
Each moment stays, still lingering there.

Here we can rest, refresh, renew,
Find gentle strength in all we do.
A common room, yet more it seems,
A woven nest of shared-up dreams.

Together strong, together kind,
A sisterhood of heart and mind.
So let this room forever be,
A space of love, for you and me.

**Arpita Dey**
**BA 3RD Sem**
**English Department**

# অন্যান্য

# শিতান

# নেপালৰ ২০২৫ চনৰ 'জেন-জি' (GEN-Z) বিদ্ৰোহ

২০২৫ চনৰ ছেপ্টেম্বৰ মাহত নেপালত হোৱা Gen-z বিদ্ৰোহ হৈছে এক গুৰুত্বপূৰ্ণ যুৱ-নেতৃত্বাধীন জাগৰণ। বছৰটোৰ আৰম্ভণিতে চৰকাৰে ২৬ টা ছ'চিয়েল মিডিয়া প্লেটফৰ্ম বন্ধ কৰাৰ বাবে মূলতঃ এই বিদ্ৰোহৰ সূচনা হয়। নেপালী যুৱক-যুৱতীসকলে এই নিষেধাজ্ঞা ৰাজনৈতিক মত প্ৰকাশত বাধা দিয়াৰ এক প্ৰয়াস হিচাপে গণ্য কৰে আৰু ইয়াৰ ফলত জেন-জিৰ ছাত্ৰ-ছাত্ৰী আৰু যুৱ নাগৰিকসকলৰ মাজত ব্যাপক ক্ষোভ আৰু সংহতিৰ সৃষ্টি হয়। ছ'চিয়েল মিডিয়া বন্ধ কৰা কাৰ্যটো আছিল কেৱল তাৎক্ষণিক ট্ৰিগাৰ; ইয়াৰ গভীৰ কাৰণসমূহ আছিল চৰকাৰী বিষয়া আৰু তেওঁলোকৰ পৰিয়ালৰ দ্বাৰা কৰা ব্যাপক দুৰ্নীতি, স্বজন-পোষণ আৰু ৰাজহুৱা পুঁজিৰ অপব্যৱহাৰ। ৰাজনীতিবিদসকলৰ সন্তান যাক "নেপো কিডছ" বুলি কোৱা হয় তেওঁলোকে নিজৰ বিলাসী জীৱনশৈলীৰ ফটো আৰু পোষ্ট প্ৰদৰ্শন কৰাৰ ফলত অসমতা আৰু বিশেষাধিকাৰক লৈ যুৱক-যুৱতীসকলৰ ক্ষোভ বাঢ়ে আৰু এনেদৰে এই আন্দোলনৰ সূত্ৰপাত হয়।

এই আন্দোলন অতি সোনকালেই বাক স্বাধীনতাৰ প্ৰতিবাদৰ পৰা ৰাজনৈতিক জবাবদিহি, স্বচ্ছতা আৰু ব্যৱস্থাৰ পৰিৱৰ্তনৰ এক বহল আহ্বানলৈ ৰূপান্তৰিত হয়। কাঠমাণ্ডু আৰু পোখৰাৰ দৰে প্ৰধান চহৰসমূহত হাজাৰ হাজাৰ লোকে ৰাজপথলৈ ওলাই আহে। প্ৰতিবাদ অতি কম দিনৰ ভিতৰতে বৃদ্ধি পাই আৰু প্ৰতিবাদকাৰী আৰু নিৰাপত্তা বাহিনীৰ মাজত সংঘৰ্ষৰ ফলত ই হিংসাত্মক ৰূপ লয়। সংসদ ভৱন, উচ্চতম ন্যায়ালয় আৰু শীৰ্ষ বিষয়াসকলৰ বাসস্থানকে ধৰি চৰকাৰী প্ৰতিষ্ঠানসমূহত জুই লগাই দিয়া হয়। অশান্তি নিয়ন্ত্ৰণলৈ অহাৰ আগতে ৭০ জনতকৈ অধিক লোকৰ মৃত্যু হয় আৰু বহু লোক আহত হয়। এই বিদ্ৰোহৰ ফলস্বৰূপে সেই সময়ৰ প্ৰধানমন্ত্ৰী কে.পি. শৰ্মা অলিয়ে ছেপ্টেম্বৰৰ ৯ তাৰিখে পদত্যাগ কৰিবলৈ বাধ্য হয়। পৰৱৰ্তী সময়ত নিজৰ সততাৰ বাবে পৰিচিত পূৰ্বৰ মুখ্য ন্যায়াধীশ সুশীলা কাৰ্কীক যুৱ-নেতৃত্বাধীন এক অনলাইন নিৰ্বাচন প্ৰক্ৰিয়াৰ জৰিয়তে অন্তৰ্বৰ্তীকালীন প্ৰধানমন্ত্ৰী হিচাপে নিযুক্তি দিয়া হয়। সুশীলা কাৰ্কিক ২০২৬ চনৰ মাৰ্চ মাহৰ বাবে নিৰ্ধাৰিত নতুন নিৰ্বাচনলৈকে দেশখন পৰিচালনা কৰাৰ দায়িত্ব অৰ্পণ কৰা হয়।

এই নেতৃত্ববিহীন GEN-G বিদ্ৰোহে নেপালৰ ৰাজনৈতিক দৃশ্যপটত এক বিশাল পৰিৱৰ্তনৰ সংকেত দিয়ে। এই আন্দোলনে দেশৰ শাসনত দীৰ্ঘদিন ধৰি আধিপত্য বিস্তাৰ কৰি থকা পুৰণি ৰাজনৈতিক প্ৰতিষ্ঠানৰ প্ৰতি থকা প্ৰজন্মগত অসন্তুষ্টি উন্মোচন কৰে। যুৱ প্ৰতিবাদকাৰীসকল পৰিৱৰ্তনৰ আহ্বানত একত্ৰিত হ'লেও ভৱিষ্যতৰ ৰাজনৈতিক দৃষ্টিভংগীৰ ওপৰত তেওঁলোক বিভক্ত কিছুমানে নেপালৰ ফেডাৰেল ব্যৱস্থাৰ আমূল পুনৰ্গঠনৰ লগতে পোনপটীয়াভাৱে নিৰ্বাচিত কাৰ্যবাহী মুৰব্বীৰ বাবে ওকালতি কৰিছে আনহাতে আন কিছুমানে শেহতীয়া দশকসমূহত গঢ় লৈ উঠা গাঁথনিসমূহ ভংগ কৰাৰ বিৰুদ্ধে সতৰ্ক কৰিছে। এই আন্দোলনে শাসন, যুৱ নেতৃত্ব আৰু নেপালত গণতান্ত্ৰিক নৱীকৰণৰ ওপৰত চলি থকা আলোচনাৰ জন্ম দিছে। এই আন্দোলনে TIK TOK আৰু DISCORD ৰ দৰে ছ'চিয়েল মিডিয়া প্লেটফৰ্ম ব্যৱহাৰ কৰি দ্ৰুত সমন্বয় আৰু সংহতিৰ বাবে ডিজিটেলভাৱে সংযুক্ত এটা প্ৰজন্মৰ শক্তি আৰু সম্ভাৱনীয়তাৰ ওপৰত গুৰুত্ব দিছে।

চৰকাৰক উৎখাত কৰাত তাৎক্ষণিক সফলতা লাভ কৰাৰ পিছতো Gen z কৰ্মীসকলৰ মাজত পথৰ প্ৰতিবাদক স্থায়ী ৰাজনৈতিক সংস্কাৰলৈ কেনেকৈ ৰূপান্তৰিত কৰিব পাৰি সেই সন্দৰ্ভত বিতৰ্ক চলিয়েই আছে। শক্তিশালী নেতাসকলৰ পতনৰ ফলত এতিয়ালৈকে কোনো সুস্থিৰ বিকল্প পোৱা হোৱা নাই আৰু দেশখন নতুন নিৰ্বাচনৰ কাষ চাপি অহাৰ লগে লগে এই আন্দোলনে বৰ্তমানৰ ৰাজনৈতিক দল আৰু নেপালৰ সাংবিধানিক কাঠামো উভয়কে প্ৰত্যাহ্বান জনাই আছে। এই বিদ্ৰোহৰ আৱেগিক আৰু বস্তুগত মূল্য যাৰ ভিতৰত মৃতক আৰু আহত হোৱা লোকসকলৰ সংখ্যা উল্লেখযোগ্য। এই আন্দোলনে ন্যায় আৰু জবাবদিহিৰ বাবে যুৱক-যুৱতীসকলৰ দাবীৰ গুৰুত্বক আলোকপাত কৰিছে। এই ঘটনাটো নেপালৰ শেহতীয়া ইতিহাসত এক যুগান্তকাৰী মুহূৰ্ত হিচাপে চিহ্নিত হৈছে।

এই ঐতিহাসিক জাগৰণে নিবনুৱাৰ দৰে অৰ্থনৈতিক অসুবিধাৰ সৈতে যুৱক-যুৱতীসকলৰ হতাশা আৰু অধিক ন্যায্য ৰাজনৈতিক ব্যৱস্থাৰ বাবে তেওঁলোকৰ হেঁপাহৰ সংযোগক উজ্বলাই তুলিছে। ই হৈছে ২০২৫ চনত দক্ষিণ এছিয়াত ডিজিটেল সঁজুলি আৰু সামূহিক কাৰ্য ব্যৱহাৰ কৰি ক্ষমতাৰ গাঁথনিসমূহক প্ৰত্যাহ্বান জনোৱা আৰু পুনৰ্গঠন কৰা এটা প্ৰজন্মৰ অন্যতম নাটকীয় উদাহৰণ।

**পৰাণ বেজবৰুৱা**
**ৰাজনীতি বিজ্ঞান বিভাগ**
**তৃতীয় ষাণ্মাসিক**

# কৃত্ৰিম বুদ্ধিমত্তা আৰু যুৱ প্ৰজন্ম

মানৱ সভ্যতাৰ বিকাশৰ ইতিহাসত প্ৰতিটো যুগে কিবা এটা নতুনত্বেৰে জনমানসক উদ্বুদ্ধ কৰি গৈছে। জুইৰ আৱিষ্কাৰৰ পৰা আৰম্ভ কৰি বস্ত্ৰ, লিপি, ভাষা আদি আৱিষ্কাৰে যুগান্তকাৰী পৰিবৰ্তন সাধন কৰিছে। একেদৰে আধুনিক যুগত কৃত্ৰিম বুদ্ধিমত্তা (Artificial Intelligence - AI) হৈছে এটি নৱ যুগৰ বৈপ্লৱিক উদ্ভাৱন। কৃত্ৰিম বুদ্ধিমত্তা হৈছে এনে এটি প্ৰযুক্তি যাৰ জৰিয়তে যন্ত্ৰ, কম্পিউটাৰ বা ৰ'বটে মানুহৰ দৰে চিন্তা-ভাবনা কৰিব পাৰে, অভিজ্ঞতা সঞ্চয় কৰিব পাৰে আৰু সিদ্ধান্ত ল'ব পাৰে। উদাহৰণস্বৰূপে ChatGPT বা Google Gemini ৰ দৰে দ্ৰুত প্ৰশ্নোত্তৰ দিয়া কৃত্ৰিম বুদ্ধিমত্তা মডেল; Siri, Alexa, বা Google Assistant ৰ দৰে ব্যক্তিগত সহায়কাৰী মডেল , Self-driving car বা নিজে গাড়ী চলোৱা প্ৰযুক্তি আৰু Face recognition ব্যৱস্থা আদি উল্লেখযোগ্য। এইবোৰে দেখুৱাইছে যে কৃত্ৰিম বুদ্ধিমত্তা এ কেৱল যন্ত্ৰক মানুহৰ নিৰ্দেশনা অনুসৰণ কৰিবলৈ নিদিয়ে, বৰঞ্চ নিজেই তথ্য বিশ্লেষণ কৰি সিদ্ধান্ত ল'ব পাৰে। বিশ্বায়নৰ যুগত বিশ্বৰ সকলো সমাজৰ সৈতে যুৱ প্ৰজন্ম জড়িত হৈ পৰিছে। সমাজ-অৰ্থনীতি, ৰাজনীতি বা সংস্কৃতি ; সকলো ক্ষেত্ৰতে যুৱশক্তিৰ প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি। এই পৰিপ্ৰেক্ষিতত কৃত্ৰিম বুদ্ধিমত্তা এ যুৱ-প্ৰজন্মৰ জীৱনধাৰা, শিক্ষণ-প্ৰশিক্ষণ, পেচাগত ক্ষেত্ৰ, চিন্তা-চেতনা আৰু জীৱনদৰ্শনলৈ এক গভীৰ প্ৰভাৱ পেলাইছে। এনে প্ৰভাৱবোৰ হ'ল -

## ক) শিক্ষণ-প্ৰশিক্ষণত প্ৰভাৱ আৰু নিয়োগ সম্ভাৱনীয়তা :

কৃত্ৰিম বুদ্ধিমত্তায়ে শিক্ষাৰ ক্ষেত্ৰত এক বিপ্লৱ আনিছে বুলিব পাৰি। যুৱ সমাজে এতিয়া কৃত্ৰিম বুদ্ধিমত্তা ৰ সহায়ত কেৱল নিজৰ সন্দেহ দূৰ কৰাই নহয় , বৰং ব্যক্তিগতকৃত শিক্ষণ (PERSONALIZED LEARNING) লাভ কৰাৰ সুবিধা পাইছে, য'ত কৃত্ৰিম বুদ্ধিমত্তা এপে প্ৰতিজন ছাত্ৰৰ দক্ষতা অনুযায়ী শিক্ষাৰ গতি নিৰ্ধাৰণ কৰে। উদাহৰণস্বৰূপে খান একাডেমীৰ কথা উল্লেখ কৰিব পাৰি। আকৌ কৃত্ৰিম বুদ্ধিমত্তা এ যুৱসকলৰ বাবে ডেটা বিজ্ঞানী, কৃত্ৰিম বুদ্ধিমত্তা ইঞ্জিনিয়াৰ MACHINE LEARNING EXPERT আদি পদবীসমূহৰ সৃষ্টি কৰি নানান সুযোগ প্ৰদান কৰা পৰিলক্ষিত হৈছে। লগতে CONTENT CREATION, GRAPHIC DESIGNING, VIDEO EDITING আদি ক্ষেত্ৰতো কৃত্ৰিম বুদ্ধিমত্তা টুলে যুৱসকলক তীব্ৰ গতিত আগুৱাই লৈ গৈছে। কিন্তু আনহাতে, কৃত্ৰিম বুদ্ধিমত্তা এ কেইবাটাও পুৰণি চাকৰি হ্ৰাস কৰাৰ সম্ভাৱনাও সৃষ্টি কৰিছে। উদাহৰণ স্বৰূপে, AUTOMATION (স্বয়ংক্ৰিয়কৰণ) ৰ বাবে ফেক্টৰী বা কল-কাৰখানাৰ বহুতো চাকৰি সংকটত পৰিছে।

## খ) মানসিকতা আৰু চিন্তা-চেতনা তথা দৈনন্দিন জীৱনত প্ৰভাৱ:

কৃত্ৰিম বুদ্ধিমত্তায়ে যুৱসকলৰ চিন্তা-চেতনাতো প্ৰভাৱ পেলাইছে। একেদৰে তথ্যৰ সহজলভ্যতাৰ বাবে যুৱসকলে বহুত বেছি জ্ঞান আহৰণ কৰিব পৰাৰ দৰে কৃত্ৰিম বুদ্ধিমত্তা ৰ অতিমাত্ৰা নিৰ্ভৰশীলতাই স্বাধীনভাৱে চিন্তা কৰাৰ ক্ষমতা হ্ৰাস হোৱাৰ অৱকাশও আহি পৰিছে। সমান্তৰালকৈ যুৱসকলৰ দৈনন্দিন জীৱনত কৃত্ৰিম বুদ্ধিমত্তা ৰ প্ৰভাৱ একেবাৰে স্পষ্ট। সামাজিক মাধ্যমত কৃত্ৰিম বুদ্ধিমত্তা ৰ ALGORITHM এ ভিডিঅ' নাইবা CONTENT বোৰক অধিক দৰ্শনযোগ্য কৰি তুলিছে । ইয়াৰ ফলত যুৱসকলে নতুন ধৰণৰ বিনোদন, তথ্য আৰু দৰ্শন লাভ কৰে।

## গ) সৃষ্টিশীলতা আৰু উদ্ভাৱনী শক্তিত প্ৰভাৱ :

কৃত্ৰিম বুদ্ধিমত্তাৰ আহিলাবোৰ যেনে DALL-E, MIDJOURNEY আদিয়ে যুৱসকলৰ সৃষ্টিশীলতা বিকাশত সহায় কৰিছে। শিল্প, সংগীত, সাহিত্য আদিতো কৃত্ৰিম বুদ্ধিমত্তা এ এক নতুন মঞ্চ উন্মোচন কৰা পৰিলক্ষিত হৈছে। অৱশ্যে এইয়া কিমান বৈধ বা নৈতিকতাসম্পন্ন সেইয়া কব পৰা নাযায়। শেহতীয়াকৈ উন্মোচন হোৱা GEMINI ৰ NANO BANANA হওক বা এটা সময়ত "ট্ৰেণ্ড" কৰা গিবলি ষ্টুডিঅৰ আৰ্ট হওক, এইবোৰৰ বৈধতা বা নৈতিকতাসম্পন্ন হয় নে নহয় আদিৰ সম্পৰ্কে বিতৰ্ক হৈছে।

**ঘ) <u>চাইবাৰ অপৰাধৰ বৃদ্ধি</u> :**

কৃত্ৰিম বুদ্ধিমত্তাৰ উন্নতিৰ লগে লগে চাইবাৰ অপৰাধো দ্ৰুতগতিত বৃদ্ধি পাইছে। DEEP FAKE ভিডিঅ' বা কণ্ঠ সৃষ্টিৰ ফলত ভুৱা তথ্য, ব্লেকমেইলিং বা জনমত বিভ্ৰান্তি সৃষ্টি হোৱাৰ সম্ভাৱনা বহুত বেছি হৈ পৰিছে । FISHING বা অনলাইন প্ৰতাৰণাৰ ঘটনাও কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত কৌশলৰে বৃদ্ধি পাইছে। ইয়াৰ ফলত যুৱ প্ৰজন্মই নিজৰ ব্যক্তিগত তথ্য, পেচাগত নথি আদি হেৰুওৱা বা অপব্যৱহাৰ হোৱা পৰিলক্ষিত হৈছে। PRIVACY CONSENT বা গোপনীয়তাৰ অনুমতিৰ বিষয়টোৱে৷ গুৰুত্ব বৃদ্ধি পাইছে। কৃত্ৰিম বুদ্ধিমত্তাই যদিহে মানুহৰ তথ্য অনুমতি নলৈ সংগ্ৰহ কৰে, তেন্তে সেইয়া ব্যক্তিগত অধিকাৰৰ ওপৰত আঘাত কৰাকে বুজায়। সেয়ে কৃত্ৰিম বুদ্ধিমত্তাৰ লগত জড়িত চাইবাৰ বিপদসমূহক বুজি সতৰ্কতা অবলম্বন কৰা যুৱ প্ৰজন্মৰ বাবে সময়োপযোগী হৈ পৰিছে ।

কৃত্ৰিম বুদ্ধিমত্তা এক যুগান্তকাৰী শক্তি হোৱাৰ লগতে এটি আধুনিক আহিলা হে মাথোঁ। ইয়াৰ ব্যৱহাৰ ব্যক্তিৰ ওপৰত হে নিৰ্ভৰ কৰে। যুৱ প্ৰজন্মই যদি ইয়াক সঠিকভাৱে ব্যৱহাৰ কৰে, তেন্তে সমাজৰ উন্নয়ন, অৰ্থনৈতিক বিকাশ আৰু জ্ঞান-বিজ্ঞানত নতুন সম্ভাৱনা উন্মোচিত হব। কিন্তু ইয়াৰ অপব্যৱহাৰে সমাজত বেয়া প্ৰভাৱ আনিব পাৰে। সেয়ে কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ, নিয়ন্ত্ৰণ আৰু নৈতিকতাৰ লগত জড়িত এক সঠিক দিশৰ প্ৰয়োজন। সেয়েহে যুৱ প্ৰজন্মক কৃত্ৰিম বুদ্ধিমত্তাৰ দ্বাৰা প্ৰদত্ত সুযোগবোৰ গ্ৰহণ কৰিবলৈ সুবিধা দি তেওঁলোকৰ উদ্ভাৱনী শক্তি, স্বাধীন চিন্তা আৰু নৈতিক বোধ জীয়াই ৰাখিবলৈ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে সম্ভাৱনীয় বিপদৰ পৰাও বিৰত থকাৰ প্ৰশাসনিক বৈধ ব্যৱস্থা এটিৰ প্ৰয়োজনীয়তা আছে। তেহে কৃত্ৰিম বুদ্ধিমত্তা আৰু যুৱ প্ৰজন্মৰ এই যুগল সম্পৰ্কই আগন্তুক দিনত এক নতুন যুগৰ সূচনা কৰিব য'ত মানুহ আৰু যন্ত্ৰৰ অৱস্থান একেলগে সম্ভৱপৰ হৈ উঠিব।

**ঘোৰণজ্যোতি চেলেং**
**স্নাতক মহলা**
**পঞ্চম ষাণ্মাসিক**
**ৰাজনীতি বিজ্ঞান বিভাগ**

# হোমেন বৰগোহাঞিদেৱৰ “ হালধীয়া চৰায়ে বাওধান খায় ”

হোমেন বৰগোহাঞি অসমীয়া সাহিত্য জগতৰ এগৰাকী প্ৰথিতযশা সাহিত্যিক আছিল। অসমীয়া সমাজ জীৱনত তেখেত এগৰাকী কবি , সমালোচক, গল্পকাৰ, ঔপন্যাসিক আৰু সু - সাহিত্যিক হিচাপে খ্যাত। হোমেন বৰগোহাঞিদেৱৰ দ্বাৰা ৰচিত কেইখনমান উপন্যাসৰ নাম হৈছে - 'অষ্টৰাগ ', 'হালধীয়া চৰায়ে বাওধান খায়', ' তিমিৰ তীৰ্থ ' আদি। এইসমূহৰ ভিতৰত ' হালধীয়া চৰায়ে বাওধান খায় ' শীৰ্ষক উপন্যাসখন প্ৰকাশ পাইছিল ১৯৭২ চনত ।এই উপন্যাখনৰ আধাৰতে জাহ্নু বৰুৱা পৰিচালিত - হালধীয়া চৰায়ে বাওধান খায় নামৰ চলচ্চিত্ৰখনে ৩৫তম ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোসৱত শ্ৰেষ্ঠ ছবিৰ স্বৰ্ণকমল বঁটা লাভ কৰিবলৈ সক্ষম হয়। হোমেন বৰগোহাঞিৰ কলমেৰে নিসৃত হোৱা লিখনিসমূহৰ মূল বিষয় বস্তু হৈছে সমাজৰ সাধাৰণ লোকসকলৰ সংগ্ৰাম, সামাজিক কুসংস্কাৰ, উচ্চ শ্ৰেণীৰ শোষণ ইত্যাদি । তেখেতৰ ' হালধীয়া চৰায়ে বাওধান খায় ' শীৰ্ষক উপন্যাসখন ইয়াৰ এক উৎকৃষ্ট নিদৰ্শন। উপন্যাসখনত লেখকে অসমীয়া সহায় জীৱনৰ এখন বাস্তৱ, মননশীল তথা হৃয়স্পৰ্শী ছবি দাঙি ধৰিছে। বৰগোহাঞিদেৱে সচৰাচৰ সমাজত প্ৰত্যক্ষ কৰিবলৈ পোৱা ধনী শ্ৰেণীৰ দমন, শোষণ, বঞ্চনা আদিৰ বুলি হৈ দৰিদ্ৰ নিৰক্ষৰ তথা সাধাৰণ কৃষকসকল কিদৰে হাৰাশাস্তি হবলগীয়া হয় তাৰ এক সাৱলীল বৰ্ণনা উপন্যাসখনৰ মাধ্যমেৰে উপস্থাপন কৰিছে ।

## <u>কাহিনীৰ চমু বিৱৰণ</u>:

উপন্যাসখনৰ মূল চৰিত্ৰ ৰসেশ্বৰৰ খেতি মাটি মুঠেই এপোৰা মাত্ৰ। সেই এপোৰা মাটিত খেতি কৰি ৰসেশ্বৰে নিজৰ পৰিবাৰ আৰু সাতোটা সন্তানৰ সৈতে যেনে তেনে জোৰা-তাপলি মাৰি সংসাৰ চলায়। কিন্তু একেখন গাঁৱৰে ধনী ঠিকাদাৰ তথা ক্ষমতাশালী নেতা সনাতন শৰ্মাই ষৰযন্ত্ৰ কৰি ৰসেশ্বৰৰ পৰা সেই এপুৰা মাটিও কাঢ়ি লয়।এনে অন্যায়ৰ বিৰুদ্ধে তেওঁ আদালতত গোচৰ তৰে । কিন্তু ন্যায় পোৱা দূৰৰে কথা , বৰঞ্চ ৰঙাফিতাৰ মেৰপাকত ৰসেশ্বৰৰ জীৱন আৰু বেছি দুৰ্বিসহহে হৈ পৰিল। আদালতৰ গোচৰৰ খৰচৰ নামত ৰসেশ্বৰে এপদ এপদকৈ ঘৰৰ সকলো সম্পদ হেৰুৱালে । পইচাৰ অভাৱত নিজৰ ল'ৰাটোক স্কুলৰ পৰা আঁতৰাই আনি আনৰ ঘৰত বন কৰিবলৈ পঠাবলগীয়া হ'ল , খাবলৈ এমুঠি সৌলো নোহোৱা হ'ল । মুঠৰ ওপৰত ৰসেশ্বৰৰ ঘৰখন সম্পূৰ্ণৰূপে অন্ধকাৰত ডুব গ'ল । পিছত নিৰ্বাচনৰ সময়ত সনাতন শৰ্মাই ৰসেশ্বৰৰ ঘৰলৈ গৈ টকা পঁচিশটা আগবঢ়াই দিয়ে আৰু নিজৰ ভুল স্বীকাৰ কৰা যেন দেখুৱাই ৰসেশ্বৰৰ ওচৰত ক্ষমা বিচাৰে । অৱশ্যে এইয়া সনাতন শৰ্মাৰ মিছা অভিনয়হে আছিল কিন্তু অজলা ৰসেশ্বৰে সেইকথা বুজি নাপালে আৰু সনাতন শৰ্মাৰ ৰসেশ্বৰৰ মাটি ঘূৰাই দিয়াৰ মিছা প্ৰতিশ্ৰুতি পতিয়ন গৈ শৰ্মাৰ জয় বাৰ্তা প্ৰসাৰত উঠি পৰি লাগে ।

## <u>মূল শিকনীয় বিষয়</u> :

উপন্যাসখনৰ কাহিনীভাগত কেইবাটাও গুৰুত্বপূৰ্ণ দিশ প্ৰতিফলিত হৈছে । সমাজৰ ধনী শ্ৰেণীৰ শোষণ, নিস্পেষণ আৰু দুখীয়া-দৰিদ্ৰ সাধাৰণ লোকসকল তেওঁলোকৰ দ্বাৰা নজনাকৈয়ে কিদৰে শোষিত হৈ থাকে তাৰ এখন সজীৱ চিত্ৰ প্ৰস্ফুটিত হৈছে। এজন কৃষকৰ বাবে তেওঁৰ মাটিডোখৰৰ মূল্য কিমান তাকো অতি সুন্দৰ ৰূপত লেখকে উপস্থাপন কৰিছে। উপন্যাসখনত প্ৰকাশ পোৱা অন্য দুটা দিশ হৈছে সমাজৰ অন্ধিশ্বাস-কুসংস্কাৰ আৰু আমাৰ ন্যায়িক ব্যৱস্থাৰ দুৰ্বলতা। গতিকে হোমেন বৰগোহাঞিদেৱৰ হালধীয়া চৰায়ে বাওধান খায় উপন্যাসখনক এখনি সুখপাঠ্য সামাজিক উপন্যাস হিচাপে অভিহিত কৰিব পৰা যায়।

**হিমাশ্ৰী বৰা**
**ৰাজনীতি বিজ্ঞান বিভাগ**
**প্ৰথম ষাণ্মাসিক**

# উচ্চাকাংক্ষা

হোমেন বৰগোহাঞিদেৰৰ অপৰূপ সৃষ্টিবোৰৰ ভিতৰত "উচ্চাকাংক্ষা" নামৰ পুথিখনিও অন্যতম সৃষ্টি। হোমেন বৰগোহাঞিদেৰৰ "উচ্চাকাংক্ষা" নামৰ এই পুথিখনে এজন মানুহক আচল মানুহ হিচাপে গঢ়ি তোলাত বহুখিনি সহায় কৰি তুলিব। সেয়ে মোৰ ধাৰণা হয় যে সকলো ছাত্ৰ-ছাত্ৰীয়ে নিজকে এজন সৎ মানুহ হিচাপে নিজকে প্ৰতিষ্ঠিত কৰিবৰ কাৰণে বৰগোহাঞিদেৰৰ "উচ্চাকাংক্ষা" নামৰ পুথিখন পঢ়াতো অতিকৈ জৰুৰী। উচ্চ + আকাংক্ষা = উচ্চাকাংক্ষা। মানুহৰ আকাংশা কেনেকুৱা হোৱা উচিত, এজন মানুহে কিদৰেনো ধৈৰ্য, অধ্যৱসায়, পৰিশ্ৰম-শক্তি, একাগ্ৰতা, আত্মবল আৰু মনোবল আদিৰ যোগেদি নিজকে এজন মানুহ হিচাপে প্ৰতিষ্ঠিত কৰিব পাৰি "উচ্চাকাংক্ষা" নামৰ কিতাপখনত তাৰ সুন্দৰ বৰ্ণনা দিয়া নৈছে। মানুহৰ প্ৰধান কাম হল প্ৰশ্ন কৰা আৰু আমি তাৰ উত্তৰ বিচৰা। যিদিনাই মানুহে প্ৰশ্ন সুধিবলৈ আৰু তাৰ উত্তৰ বিচাৰিবলৈ আৰম্ভ কৰিলে সেইদিনাৰ পৰাই মানুহৰ মানুহ হোৱাৰ যাত্ৰা আৰম্ভ হ'ল। প্ৰশ্ন সুধি থকাটো হল মানুহৰ স্বভাৱ; ঘাইকৈ এই স্বভাৱটোৱেই মানুহক মানুহ কৰিছে। প্ৰশ্ন সুধি সুধি মানুহে নিজৰ সম্বন্ধে আমাৰ বিশ্ব-ব্ৰহ্মাণ্ড সম্বন্ধে জ্ঞান আহৰণ কৰিছে আৰু সেই জ্ঞানৰ সহায়েৰে মানুহ উন্নতিৰ পথত ক্ৰমাৎ আগুৱাই গৈ আছে। মানুহক মানিবলগীয়া গুণবোৰৰ ভিতৰত এটা-প্ৰধান গুণ হ'ল কৌতূহল। মানুহৰ মনত অবিৰামভাৱে উদয় হৈ থকা প্ৰশ্নবোৰকে আমি কৌতূহল বুলি কওঁ। যি মানুহক কৌতূহলে আমনি নকৰে, তেওঁ কেতিয়াও জ্ঞান আহৰণ কৰিব-নোৱাৰে।

"উচ্চাকাংক্ষা" নামৰ কিতাপখনৰ পৰা আমি জানিব পাৰিছো যে ভালকৈ পঢ়ি শুনি কেৱল ধন, টকা পইচা অৰ্জন কৰাটোৱেই মানুহৰ উচ্চাকংক্ষা হোৱা উচিত নহয়, কিয়নো-কেৱল খ্যাতি, ধন-ঐশ্বৰ্য আৰু জ্ঞানৰ সাধনাই মানুহক সম্পূৰ্ণভাৱে সুখী কৰিব নোৱাৰে। সেইবোৰে তেওঁক, সম্পূৰ্ণ মানুহো কৰিব নোৱাৰে। কেৱল জ্ঞানী, মানী আৰু ধনী হোৱাৰ একমাত্ৰ লক্ষ্য হ'ব নোৱাৰে। জীৱনৰ আনটো লক্ষ্য হ'ব লাগিব, দয়া, মমতা, পৰ-হিতৈষণা, সৌন্দৰ্য-প্ৰীতি আদি হৃদয়-বৃত্তিবোৰ, সততা আৰু আত্মসংযম আদি নৈতিক গুণবোৰৰ বিকাশ সাধন কৰি সম্পূৰ্ণ মানুহ হ'বলৈ চেষ্টা কৰা। এই দুয়োটা লক্ষ্যক মিলাই লৈ এক কৰি কোনোবাই যদি সেই লক্ষ্যত উপনীত হ'ব পাৰে তেন্তে তেওঁতকৈ ভাগ্যবান মানুহ আন কোনো হ'ব নোৱাৰে। প্ৰত্যেক মানুহৰে জীৱনৰ লক্ষ্য এটা নহয়, দুটা হ'ব লাগে। প্ৰথমটো লক্ষ্য হ'ল নিজৰ সহজাত প্ৰতিভা আৰু অভিৰুচিৰ লগত সঙ্গতি ৰাখি এখন কৰ্মক্ষেত্ৰ বাছি লৈ তাত কৃতকাৰ্য হ'বলৈ চেষ্টা কৰা আৰু দ্বিতীয়টো লক্ষ্য হ'ল নিজৰ সুকুমাৰ হৃদয়-বৃত্তি আৰু নৈতিক চৰিত্ৰৰ উৎকৰ্ষ সাধন কৰি জীৱনত সুখ, শান্তি আৰু আনন্দ পাবলে চেষ্টা কৰা।

পৃথিৱীত যি মানুহেই কিবা এটা কঠিন বা মহৎ কৰ্ম সম্পাদন কৰিছে তেওঁৰ জীৱন-কাহিনী পঢ়ি চালে আমি জানিব পাৰিম যে, প্ৰধানকৈ ধৈৰ্য আৰু অধ্যৱসায়ৰ জোৰতহে তেওঁৰ পক্ষে তেনে কাম কৰা সম্ভৱ হৈছে। উদাহৰণস্বৰূপে আমি বিজুলী-চাকিৰ বাল্ব উদ্ধাৰ কৰোঁতা টমাছ আলভা এডিছনৰ কথাকে ক'ব পাৰোঁ। তেওঁৰ বাল্বটো নিৰ্মাণ কৰাৰ কামত সম্পূৰ্ণ কৃতকাৰ্য হোৱাৰ আগতে সেই কামত তেওঁ এশ দুশবাৰমান অকৃতকাৰ্য হৈছিল। তেওঁ যদি দহবাৰ, এশবাৰ বা পাঁচশবাৰ অকৃতকাৰ্য হোৱাৰ পিছত বিজুলী-চাকিৰ বাল্ব উদ্ভাৱন কৰাৰ চেষ্টা পৰিত্যাগ কৰিলেহেঁতেন, তেন্তে পৃথিৱীখন আজিও আন্ধাৰ হৈয়েই থাকিলেহেঁতেন। সেয়েহে আমিও জীৱনত উন্নতি কৰিবলৈ হ'লে সকলোবোৰ হতাশাক নেওচি ধৈৰ্য আৰু একাগ্ৰতাৰ বলেৰে নিজৰ লক্ষ্যত উপনীত হ'ব পাৰিম। মানুহৰ জীৱনৰ লক্ষ্য সিমানেই ডাঙৰ হয়, সিমানেই কঠোৰ আৰু দীঘলীয়া হয় তেওঁৰ পৰিশ্ৰম। ঘাঁহ যিমান সোনকালে বাঢ়ে সিমান সোনকালে মৰে। কিন্তু এজোপা বৰ গছৰ বৃদ্ধি হ'বলৈ বহুবছৰ লাগে কিন্তু সি জীয়াইয়ো থাকে বহুবছৰ। আমি সকলোৱে এটা কথা মনত ৰাখিব লাগে যে কিবা নহয় কিবা এটা দাম নিদিয়াকৈ তেওঁ এই পৃথিৱীত একো বস্তু পাবলৈ আশা কৰিব নোৱাৰে। আমি আন এটা কথা মনত ৰাখিব লাগিব যাতে যে আমি জীৱনৰ লক্ষ্যত উপনীত হ'ব লগা সময়খিনিত ৰোগ, আকস্মিক দুৰ্ঘটনা, পানীৰ তলৰ কাঁইটৰ নিচিনা নানা অদৃশ্য বিপদ-বিঘিনি এইবোৰে জীৱনত বাটত পদে পদে মানুহৰ চৰিত্ৰ-শক্তিৰ পৰীক্ষা কৰে। এই সকলোবোৰ অতিক্ৰম কৰি বাঞ্ছিত লক্ষ্যত উপনীত হ'বলৈ হ'লে মানুহে আয়ত্ত কৰিব লাগিব অপৰাজেয় মনোবল। উদাহৰণস্বৰূপে- উইলিয়াম কেৰি আছিল এজন দৰিদ্ৰ মুচীৰ ল'ৰা। কঠোৰ সাধনা আৰু পৰিশ্ৰম কৰি তেওঁ সেই সাধাৰণ অবস্থাৰ পৰা বহুত উচ্চ পৰ্যায়লৈ উঠিছিল। তেওঁযে উচ্চ পৰ্যায়লৈ উঠিবই তাৰ প্ৰমাণ পোৱা গৈছিল তেওঁৰ বাল্যকালত। এদিন তেওঁ এজোপা ডাঙৰ গছ বগাই ওপৰলৈ গৈ উঠিবলৈ চেষ্টা কৰিছিল। গছজোপাৰ আধামান উঠোঁতেই ভৰি পিছলি তেওঁ মাটিলৈ পৰি গ'ল আৰু তেওঁৰ ভৰি এখন ভাগিল। কেইবাসপ্তাহ তেওঁ বিছনাত পৰি থাকিব লগা হ'ল। কিন্তু যেতিয়া ভগা ভৰি জোৰা লাগিল আৰু তেওঁ শৰীৰৰ শক্তি ঘূৰাই পালে, তেতিয়া বিছনাৰ পৰা উঠিৱেই কেৰিয়ে দৌৰ মাৰি গছজোপাৰ ওচৰলৈ আৰু পুনৰ গছজোপা বগাই একেবাৰে ওপৰলৈ উঠিবলৈ ধৰিলে। হোমেন বৰগোহাঞিদেৱে "উচ্চাকাংক্ষা" নামৰ কিতাপখনৰ জৰিয়তে বিভিন্ন মহান মহান ব্যক্তিৰ জীৱনৰ উদাহৰণৰ জৰিয়তে আমাক জীৱনৰ লক্ষ্যত উপনীত হ'বলৈ প্ৰেৰণা যোগাইছে।

পুথিখনৰ শেষৰফালে বৰগোহাঞিদেৱে প্ৰত্যেক মানুহৰে থাকিব লগা চাৰিটা কৰ্তব্যৰ বিষয়ে ব্যাখ্যা আগবঢ়াইছে। প্ৰথমটো কৰ্তব্য হ'ল নিজক ভালে ৰখা। প্ৰত্যেক মানুহেই নিজকে শাৰীৰিকভাৱে স্বাস্থ্যৱান আৰু নৈতিকভাৱে চৰিত্ৰৱান কৰি গঢ়ি তুলিবলৈ চেষ্টা কৰিব লাগে । মানুহৰ দ্বিতীয়টো কৰ্তব্য হ'ল নিজৰ পৰিয়ালৰ প্ৰতি। পিতৃ-মাতৃয়ে নিজৰ জীৱনৰ আৰ্হিৰ দ্বাৰা সন্তানসকলক স্বাস্থ্যবান, চৰিত্ৰৱান আৰু সদাচাৰী কৰি গঢ়ি তুলিবলৈ চেষ্টা কৰিব লাগে। সন্তানসকলে আন্তৰিক স্নেহ- শ্ৰদ্ধাৰ দ্বাৰা পিতৃ-মাতৃক সন্তুষ্ট কৰি আৰু বৃদ্ধ বয়সত তেওঁলোকৰ যত্ন লৈ কৃতজ্ঞতাৰ ঋণ পৰিশোধ কৰিব লাগে। মানুহৰ তৃতীয়টো কৰ্তব্য হ'ল সমাজৰ প্ৰতি। সমাজক বাদ দি কোনো মানুহ চলিব নোৱাৰে। সেয়ে আমি সকলো সমাজৰ এজন এজন আদৰ্শ সদস্য তথা নাগৰিক হোৱা উচিত আৰু সমাজৰ কাৰণে কিছু কাম কৰা উচিত। মানুহক চতুৰ্থটো কৰ্তব্য হ'ল প্ৰাকৃতিক পৰিৱেশৰ প্ৰতি। বৰ্তমান সময়ত এটা কথা স্পষ্ট হৈ পৰিল যে অৰণ্য ধ্বংস কৰিলে মানুহৰ নিজৰ ধ্বংসও অনিবাৰ্য। কাক ধ্বংস কৰি কাক ৰক্ষা কৰি পৰিৱেশৰ ভাৰসাম্য ৰক্ষা কৰিব লাগে সেই কথা জানে একমাত্ৰ প্ৰকৃতিয়ে। সেয়েহে মানুহক ভৱিষ্যতৰ কাৰণে অৰণ্য আৰু ইতৰ প্ৰাণীকুলৰ ৰক্ষাৰ দায়িত্ব লোৱাটো প্ৰতিজন মানুহৰে অৱশ্যে পালনীয় কৰ্তব্য।

হোমেন বৰগোহাঞিদেৰৰ "উচ্চাকাংক্ষা" নামৰ কিতাপখনৰ জৰিয়তে এনেদৰেই বিভিন্ন গুৰুত্বপূৰ্ণ তথা মহান মহান ব্যক্তিৰ জীৱনৰ কথাৰে আমাৰ জীৱনৰ লক্ষ্য, উদ্দেশ্য আৰু কৰ্তব্য আদিৰ বিষয়ে জানিবলৈ সহায় কৰিছে। সেয়ে আমি সকলোৱে তেওঁৰ অপৰূপ সৃষ্টি "উচ্চাকাংক্ষা" নামৰ কিতাপখন পঢ়ি তাৰ পৰা জ্ঞান আহৰণ কৰিব লাগে।

বৰষা ফুকন
প্ৰথম ষাণ্মাসিক
ইংৰাজী বিভাগ

# শিক্ষকৰ শিতান

# অনুৰাধা শৰ্মা পূজাৰীৰ উপন্যাসত প্ৰতিফলিত বিশেষত্ব : এক চমু পৰ্যালোচনা

(‘হৃদয় এক বিজ্ঞাপন’, ‘মেৰেং’ আৰু ‘কাঞ্চন’ তিনিখন উপন্যাসৰ উল্লিখনেৰে)

অনুৰাধা শৰ্মা পূজাৰী সাম্প্ৰতিক সময়ৰ এগৰাকী জনপ্ৰিয় উপন্যাসিকা। বৰ্তমান যুৱ প্ৰজন্মৰ মাজত তেওঁ অধিক প্ৰিয় লেখিকা। পাঠক সমাজত এনে এগৰাকী ব্যক্তি নোলাব যি অনুৰাধা শৰ্মা পূজাৰীৰ উপন্যাস বৰ্তমানলৈকে পঢ়া নাই। তেওঁৰ বাস্তৱধৰ্মী চিন্তা - চেতনাই সুনিপুণ ৰূপত উপন্যাসত প্ৰকাশ লাভ কৰিছে। নাৰী জীৱনক কেন্দ্ৰ কৰি ৰচনা কৰা দুখনমান উপন্যাস হৈছে ‘কাঞ্চন’, ‘ব’ৰাগী নদীৰ ঘাট’,আৰু ‘মেৰেং’। এই উপন্যাস কেইখনৰ বিষয়বস্তু আৰু ৰচনাশৈলী অনুপম। উপন্যাস কেইখনৰ ভাষিক বৈচিত্ৰ্য আৰু ভাষিক সমান্তৰালতা বা পুনৰুক্তিয়ে তেওঁৰ নিজস্ব ৰচনা শৈলীক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। সেয়েহে উল্লেখিত উপন্যাসকেইখন সুখপাঠ্য। এক কথাত ক’বলৈ গ’লে নিটোল কাহিনী, ভাষাৰ বিচিত্ৰ ৰূপৰ প্ৰয়োগ, জতুৱা প্ৰকাশভংগী, ধ্বনি, ৰূপ, শব্দ আৰু বাক্যগত দিশৰ সাৰ্থক পুনৰুক্তি আদিয়ে অনুৰাধা শৰ্মা পূজাৰীৰ ৰচিত অৰ্থাৎ আৰম্ভণিতে উল্লেখ কৰি অহা উপন্যাস কেইখনৰ মাজত সাহিত্যিক আবেদন বৃদ্ধি কৰিছে। অনুৰাধা শৰ্মা পূজাৰীৰ জীৱনৰ প্ৰথম উপন্যাস হিচাপে ‘হৃদয় এক বিজ্ঞাপন’ নামৰ উপন্যাসখন সদায় পাঠক সমাজৰ বাবে স্মৰণীয় আৰু এক বিশেষ অনুপ্ৰেৰণা। তেওঁ এই উপন্যাস খন লিখি শেষ কৰাৰ পিছত এটা বিশেষ সাক্ষাৎকাৰত কৈছিল “ এই উপন্যাস খন শ্ৰেষ্ঠ সাহিত্য কীৰ্তি বুলি ক’ব নোৱাৰোঁ। কিন্তু লিখি শেষ কৰাৰ পাছত এক ধৰণৰ উপশম অনুভৱ কৰিছো।” ‘মেৰেং’ উপন্যাসখনৰ ক্ষেত্ৰত তেওঁ কৈছিল - “এই উপন্যাসখন ৰচনা কৰোঁতে আঠ বছৰ গৱেষণা, ভ্ৰমণ, আৰু অধ্যয়নৰ জৰিয়তে কিছু গৱেষণা কৰিব লগীয়া হৈছিল”। ‘মেৰেং’ উপন্যাস খনৰ যোগেদি ন্যায়সংগত ভাৱে ইন্দিৰা মিৰিৰ জীৱন সংঘাত আৰু কৰ্ম ক্ষেত্ৰক বহল ভাৱে দাঙি ধৰাৰ প্ৰয়াস কৰিছিল।এই উপন্যাসখনত ১৯১০- ১৯৬০ চনলৈকে এচোৱা বিশেষ সময়ত অসমীয়া সমাজ ব্যৱস্থা, অসমীয়া সমাজত নাৰীৰ স্থিতি, নেফাৰ বিভিন্ন উন্নত নোহোৱা অঞ্চল, জনজাতীয় জীৱন চৰ্যা, আৱেগ - অনুভূতীয়ে সাকাৰ ৰূপ লাভ কৰিছিল। ইয়াৰ লগতে প্ৰাক্ - স্বাধীনতা আৰু স্বাধীনোত্তৰ কালৰ অসমৰ ভৌগোলিক, ৰাজনৈতিক, আৰ্থ-সামাজিক আৰু আৱেগিক কথাবোৰ যথাযথ ভাৱে ৰূপায়ণ কৰিবলৈ চেষ্টা কৰিছিল। বাস্তৱ সমাজৰ কেতবোৰ জটিল আৰু স্পৰ্শকাতৰ দিশসমূহ তেওঁ অতি সৰলভাৱে উপন্যাসত চিত্ৰিত কৰি দেখুৱাইছে।

তেওঁৰ উপন্যাসত ভাষাৰ বৈচিত্ৰ্যতা মনকৰিবলগীয়া বৈশিষ্ট্য। ধ্বনিৰ উপযুক্ত প্ৰয়োগ সুস্পষ্ট বাক্য, উৎকৃষ্ট শব্দভাণ্ডাৰ, বিবিধ ভাষীক উপাদানৰ পুনৰুক্তি, অগতানুগতিক প্ৰকাশ- ভংগী আদিয়ে তেওঁৰ উপস্থাপন শৈলী অধিক আকৰ্ষণীয় কৰি তুলিছে। ‘কাঞ্চন’ উপন্যাসখনত নাৰীৰ জীৱনক কেন্দ্ৰকৰিয়েই উপন্যাসখনৰ কাহিনীভাগে গতি লাভ কৰিছে। পুৰুষতান্ত্ৰিক সমাজৰ ভোগবাদী সমাজব্যৱস্থাত এজন নাৰীৰ স্থিতি সম্পৰ্কে উপন্যাসখনত বৰ্ণনা কৰিছে। ভদ্ৰতাৰ মুখা পিন্ধা এচাম লোকে ব্যক্তিগত পদোন্নতি, লাভালাভ আৰু স্বাৰ্থ সিদ্ধিৰ বাবে কিদৰে এগৰাকী নাৰীক ব্যৱহাৰ কৰে সেই সম্পৰ্কে এখন বাস্তৱ ছবি অংকন কৰিছে। কাহিনীৰ মাজেদি মানৱীয় তথা অসামাজিক মূল্যবোধৰ অৱক্ষয় আৰু দুৰ্নীতি গ্ৰস্ত ৰূপটো বিশেষভাৱে উন্মোচিত হৈছে। ‘ব’ৰাগী নদীৰ ঘাট’ উপন্যাস খনৰ প্ৰধান বিশেষত্ব হৈছে - সাধাৰণ অঞ্চল এটাৰ কিদৰে সময়ৰ গতিত আধুনিকতাৰ মৰ্য্যাদা পালে তাৰ সঠিক বৰ্ণনা পোৱা যায়।

তেঁওৰ উপন্যাসত প্ৰতিফলিত হোৱা প্ৰধান বিশেষত্ব সমূহ হৈছে –

ভাষিক বৈচিত্ৰ্য: সাম্প্ৰতিক সময়ৰ সমাজ ব্যৱস্থাত ভাষাৰ বিচিত্ৰ ৰূপৰ প্ৰয়োগ ঘটা দেখা যায়। এচাম যুৱ প্ৰজন্ম, শিক্ষিত বৃত্তিজীৱী ব্যক্তিয়ে নিজৰ সুবিধা, আকৰ্ষণ আৰু বিশেষ প্ৰয়োজনত এটা ভাষাৰ লগত আন এটা ভাষাৰ মিশ্ৰণ বা সংক্ৰমণ ঘটায়। এই সংক্ৰমণে এক নতুন পৰিৱেশৰ আভাষ দিয়ে উপস্থাপন শৈলী আকৰ্ষণীয় কৰিবলৈ প্ৰয়োজন সাপেক্ষে তেওঁ অসমীয়া ভাষাৰ লগত ইংৰাজী আৰু সংস্কৃত ভাষাৰ প্ৰয়োগ কৰিবলৈ দেখা পোৱা যায়। ইয়াৰ উপৰিও অনুৰাধা শৰ্মা পূজাৰীৰ উপন্যাসত অসমীয়া ভাষাৰ লগত ইংৰাজী ভাষাৰ সংমিশ্ৰণ ৰূপ লক্ষ্য কৰা যায়। বাংলা ভাষা, জতুৱা প্ৰকাশভংগী আদিৰ প্ৰয়োগো তেওঁৰ উপন্যাসত এক মনকৰিবলগীয়া বিশেষত্ব। শৰ্মা পূজাৰীৰ উপন্যাসত ভাষা মিশ্ৰণ আৰু ভাষা সংক্ৰমণৰ প্ৰয়োগ:

“ ঘূৰি আহি যাতে আপোনাৰ নামত কমপ্লেইন লেটাৰ নাপাওঁ।” ( কাঞ্চন,পৃষ্ঠা.৬)

“এখন বাছো চেন্টাৰ লৈকে আহিব লৈছে।”(ব’ৰাগী নদীৰ ঘাট, পৃষ্ঠা.৯)

ভাষা সংক্ৰমণ:

“ ব্ৰহ্ম গাৰ্লছ স্কুলৰ হোষ্টেল সেয়া।”( মেৰেং, পৃষ্ঠা.৪৪)

“ Each one teach one -মোৰ এয়াই ইচ্ছা।”(মেৰেং , পৃষ্ঠা.৬৩)

জতুৱা প্ৰকাশভংগীয়ে ৰচনাত ভাষাৰ সৌন্দৰ্য্য বহন কৰিছে। এই প্ৰকাশ ভংগীয়ে কাহিনীৰ উপস্থাপনত এক নতুন মাত্ৰা প্ৰদান কৰিছে। উদাহৰণ স্বৰূপে

“.... কিন্তু এয়া যে আকাশৰ চাংপতাৰ দৰে কথা।” ( মেৰেং, পৃষ্ঠা. ১০৩)

“ তাই জানে উৰহৰ খং ভগা ঢাৰিত জাৰিছে বৰবাবুয়ে....।”( কাঞ্চন, পৃষ্ঠা.১২)

তেওঁৰ উপন্যাসত অসমীয়া সমাজ জীৱনৰ ভিন্ন ফকৰা- যোজনা, প্ৰবাদ - পটন্তৰ, জতুৱা খণ্ডবাক্য সমূহত গুৰুত্ব অধিক। যেনে

“ নাই মোমাইতকৈ কনা মোমায়ে ভাল।”( মেৰেং, পৃষ্ঠা.১৮৮)

“ দুয়োজন মানুহ সোণত সুৱগা।”( মেৰেং, পৃষ্ঠা ১১৯)

“বামুন- গোসাঁইৰ বুদ্ধি, শুদিৰক কিলায় বান্ধি।”( মেৰেং,পৃষ্ঠা.১৪৫) ইত্যাদি।

এনেবোৰ ভাষিক সমলৰ প্ৰয়োগৰ জৰিয়তে অনুৰাধা শৰ্মা পূজাৰীয়ে তেওঁৰ উপন্যাস কেইখন আকৰ্ষণীয় কৰি তুলিছে।

এজন লেখকে পাঠকৰ কাষলৈ মনৰ ভাৱ প্ৰেৰণ কৰোঁতে তাক যথাসম্ভৱ সহজ আৰু সৰল আৰু ৰসযুক্ত কৰিবলৈ যত্ন কৰে। প্ৰয়োজন সাপেক্ষে বৰ্ণনীয় বিষয়ক অধিক প্ৰাসংগিক, গ্ৰহণযোগ্য আৰু আকৰ্ষণীয় কৰি তুলিবলৈ বাখ্যাৰ মাজত গীত, পদ, কবিতাৰ সংযোগ কৰে। এই বৈশিষ্ট্য অনুৰাধা শৰ্মা পূজাৰীৰ উপন্যাসত বিদ্যমান। স্বৰধ্বনিৰ সমান্তৰাল প্ৰয়োগ পূজাৰীৰ উপন্যাসত বিশেষ গুৰুত্বপূৰ্ণ অৰ্থাৎ ‘ই’, ‘এ’ ‘আ’ আদি ধ্বনিৰ পুনৰুক্তি বিশেষ গুৰুত্বপূৰ্ণ। যেনে “.... চা সৌ গছজোপা চা, আকাশৰ ৰং চা,উৰি যোৱা চৰাইজাক চা।” ( কাঞ্চন, পৃষ্ঠা.৪৬) এই উদাহৰণটোত ‘আ’ ধ্বনি পুনৰুক্তি ঘটিছে।

অনুৰাধা শৰ্মাপূজাৰীৰ উপন্যাসত ৰূপগত সমান্তৰালতাৰ প্ৰয়োগ ঘটা দেখা যায় অৰ্থাৎ নিৰ্দিষ্টতাবাচক প্ৰত্যয়, বিভিন্ন কালবাচক প্ৰত্যয়, সৰ্বনাম পদ, বচনবাচক ৰূপ ,অসমাপিকা ক্ৰিয়া ৰূপ আদিৰ ক্ষেত্ৰত ৰূপগত দিশ সমুহ ফুটি উঠে। যেনে - “ আপুনি আন মানুহক সন্মান যাচে বাবে ‘আপুনি’ সম্বোধন কৰে। কিন্তু আপোনাৰ ‘আপুনি’সম্বোধনত মই সহজ হ’ব পৰা নাই। (কাঞ্চন, পৃষ্ঠা.৭)

যুৰীয়া শব্দৰ প্ৰয়োগ তেওঁৰ উপন্যাসত মনকৰিবলগীয়া বিশেষত্ব। যেনে - ‘তিনি-চাৰি’, ‘হাবি-জঙঘল’, ‘আলু-কচু’, ‘কাণ-তাল’, ‘বতাহ-বৰষুণ’,‘গৰু-গাই’ ইত্যাদি। যুৰীয়া শব্দৰ বাৰে বাৰে পুনৰাবৃত্তিৰ ঘটিছে। উদাহৰণ স্বৰূপে- “ কেৱল চাকৰি কৰিছোঁ বুলি ভবা হ’লে তিনি-চাৰিদিন ঘোঁৰাৰ পিঠিত উঠি, হাবি-জঙঘলত থাকি, আলু-কচু খাই এইদৰে কাম কৰাৰ শক্তি পালোঁহেঁতেন নে?”( মেৰেং, পৃষ্ঠা.৩২৯) দ্বিৰুক্তি ৰূপৰ পুনৰ প্ৰয়োগেও তেওঁৰ উপন্যাসক ৰসাল কৰি তোলে। এনেদৰে ভাষিক সমলৰ প্ৰয়োগৰে অনুৰাধা শৰ্মা পূজাৰীয়ে উপন্যাস কেইখন অধিক আকৰ্ষণীয় কৰি তুলিছে।

উপন্যাস কেইখনত ফুটি উঠিছে যে আত্ম-সন্মানবোধে ব্যক্তিগত, সামাজিক বা পেছাদাৰী সীমাক সন্মান আৰু স্বীকৃতিৰ লগতে নাৰীক সম্পৰ্ক, কৰ্মস্থান আৰু সামাজিক বিন্যাসত নিজক সাব্যস্ত কৰিবলৈ যোগ্যতা আৰু আত্মবিশ্বাস প্ৰদান কৰে। আত্মসন্মানবোধ থকা মানুহে অসন্মান আৰু বৈশিম্য মানি নলয়। নিজৰ মূল্যবোধ আৰু আকাংক্ষা অনুসাৰে জীৱন বাছি ল’বলৈ শিকায়। সেয়ে সবল নাৰীৰ উপস্থিতিয়ে সামাজিক অধিক সবল কৰি তোলে।এই সবলতা গঢ়াৰ প্ৰয়াস তেতিয়া সহায় হৈ উঠে, যেতিয়া চৌপাশৰ বাতাবৰণ সবলীকৰণৰ সমৰ্থক হয়।

সামগ্ৰিক ভাৱে উল্লিখিত বিশেষত্ব সমূহৰ পৰা ধাৰণা হয় যে বিশ্ব ইতিহাসৰ বহু কথাৰে ক’ব বিচাৰে নাৰী বহু সৰ্বনাশৰ কাৰণ হ’ব পাৰে। কিন্তু সৃষ্টিৰ আমোঘ হৈ অৱহমান মানৱ সভ্যতাক নাৰীয়ে কেনেকৈ চেতনাৰ শীৰ্ষলৈ লৈ গৈছে সেই পৰম সত্য আৰু ইতিহাসক অস্বীকাৰ কৰাৰ স্পৰ্দ্ধা কাৰোৰে নাই। সেইবাবেই অতি সম্ভ্ৰমেৰে কোৱা হয় - ‘নাৰী হৈছে সভ্যতাৰ শোভকামনাৰ চৈতন্যৰে ভৰা এক কল্যাণময়ী প্ৰতিৰূপ’। অনুৰাধা শৰ্মা পূজাৰীৰ উপন্যাসমূহত ফুটি উঠিছে যে নাৰীৰ সান্নিধ্য মানেই শান্তি উপলব্ধিক কোনোবাই অস্বীকাৰ কৰিলেও মানৱ সভ্যতাৰ ইতিহাসক নাৰিয়ে নিজস্ব চেতনাৰে যে উজ্জীৱিত কৰি ৰাখিছে সেই সত্যক অস্বীকাৰ কৰিব নোৱাৰি।

**চুইটী বিশ্বাস**
**সহকাৰী- অতিথি অধ্যাপিকা**
**অসমীয়া বিভাগ**
**খোৱাং মহাবিদ্যালয়**

# সঞ্জীৱনী আশা

হঠাৎ এদিন মৰম, প্ৰেম ও ভালপোৱাই আহি ক'লে
তেওঁলোকে বোলে অৱসৰ ললে
মই অবাক হৈ গলো,
মৰম, প্ৰেম, ভালপোৱা অবিহনে মানুহ কেনেকৈ বাচি থাকিব ?
মই দৌৰি গলো "বিশ্বাসৰ" ওচৰলৈ গৈ ক'লো
জানা মৰম, প্ৰেম আৰু ভালপোৱাই অৱসৰ ল'লে
বিশ্বাসে ক'লে "মোৰো ৱাৰেন্টি পিৰিয়ড শেষ হৈ গৈছে।"
মই হতভম্ব, তথাপিও মই গলো "মনৰ" ওচৰলৈ
মনে কলে "মনৰো লাইফ টাইম অফাৰ শেষ হৈ গৈছে।"
মই ৰুদ্ধ শ্বাসে "স্বপ্নৰ" ওচৰলৈ গলো,
স্বপ্নই কলে "এতিয়া আৰু কোনেও স্বপ্ন নেদেখ
সকলোৱে কেৱল নিজক দেখে, নিজক লৈ ব্যস্ত
পদমৰ্যাদাৰ আৰু ধনৰ ৰাগিত সকলো মাতাল। "
মই নিৰ্বাক মুক আৰু মৌন হৈ গলো ।
এইয়া কি প্ৰেম, মৰম, ভালপোৱা স্বপ্ন সকলো
শেষ হৈ গৈছে। তেনেহলে কি হ'ব মোৰ দৰে মানুহৰ?
মাছ যেনেদৰ পানী অবিহনে জীয়াই নাথাকে
মানুহো প্ৰেম, মৰম, ভালপোৱা অবিহনে জীয়াই থাকিব নোৱাৰে।
মই হতাশ মনে আগবাঢ়িলোঁ পথেৰে।
হঠাৎ কিছুদূৰ যোৱাৰ পাছত মই কোৰোবাৰ স্পৰ্শ অনুভৱ কৰিলোঁ।
মই ঘূৰি চালোঁ, দেখিলো আশাই মিচিকিয়াই হাঁহি মোৰ ফালে চাই আছে,
হাঁহি হাঁহি আশাই কলে, মই যিমানদিনে তোমাৰ লগত থাকিম তোমাৰ কোনো চিন্তা নাই
মই আশাক কলোঁ, জানা আশা প্ৰেম, ভালপোৱা স্বপ্ন, বিশ্বাস সকলো দূৰলৈ গুচি গ'ল,
সপ্ৰতিভ ভংগিমাৰে আশাই কলে মই থাকিলে সকলো থাকিব, তোমাৰ ভিতৰত মোক আজিও ৰাখা,
আশাই মোৰ হাতখন সজোৰে ধৰি আগবাঢ়িল সন্মুখৰ দিশে ।

{ বি:দ্ৰ:- বন্ধু নীল জামিললৈ ধন্যবাদেৰে }

জোনালী দেৱী
প্ৰাক্তন অধ্যাপিকা
অৰ্থনীতি বিভাগ

# চন্দনা গোস্বামীৰ ‘পাটকাইৰ ইপাৰে মোৰ দেশ’ গ্ৰন্থৰ বিষয়বস্তু আৰু উপন্যাসৰ নামকৰণৰ তাৎপৰ্য

অসমীয়া উপন্যাসৰ ক্ষেত্ৰখনৰ নব্য লেখকসকলৰ ভিতৰত অন্যতম চন্দনা গোস্বামী। তেওঁৰ জন্মস্থান গহপুৰ। গহপুৰতে তেওঁৰ স্কুলীয়া জীৱন আৰম্ভ হয়। গহপুৰ আদৰ্শ বিদ্যালয়ৰ পৰা প্ৰাথমিক শিক্ষা লাভ কৰি গহপুৰৰ ছোৱালী হাইস্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰে। পৰৱৰ্তী সময়ত কটন কলেজৰ পৰা অৰ্থনীতি বিষয়ত স্নাতক ডিগ্ৰী লাভ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। স্নাতকোত্তৰ শিক্ষা শেষ কৰি সন্দিকৈ মহাবিদ্যলয়ত অৰ্থনীতি বিষয়ৰ প্ৰবক্তা হিচাপে ডেৰবছৰমান কৰ্মৰত আছিল। পৰৱৰ্তী সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগতো কিছুদিন কৰ্মৰত হৈ থাকে যদিও তেওঁৰ ব্যক্তিগত অসুবিধাৰ বাবে সেই চাকৰিৰ পৰা ওলাই আহে। ২০১৩ বৰ্ষৰ গৰীয়সী আলোচনীৰ ফেব্ৰুৱাৰী মাহৰ এটি সাক্ষাৎকাৰত লেখিকাই উল্লেখ কৰিছিল যে, বিশ্ববিদ্যালয়ৰ বিদ্যায়তনিক পৰিৱেশে তেওঁৰ সাহিত্য চৰ্চাত সহায় কৰিলেহেঁতেন বুলি নাভাবে। ঔপন্যাসিকা হিচাপে চন্দনা গোস্বামীয়ে সাহিত্যজগতত ভুমুকি মাৰে ‘পাটকাইৰ ইপাৰে মোৰ দেশ’ উপন্যাসৰ জৰিয়তে। এই উপন্যাসখন ২০০৯ চনত প্ৰকাশ পায়। প্ৰথম উপন্যাস হিচাপে ‘পাটকাই ইপাৰে মোৰ দেশ’ গ্ৰন্থখনে পাঠকৰ মাজত যথেষ্ট সমাদৰ লাভ কৰে। উপন্যাসখন বুৰঞ্জীমূলক উপন্যাস। অসমৰ মধ্যযুগীয় ইতিহাসৰ ঘটনাক সমল হিচাপে লৈ গ্ৰন্থখন ৰচনা কৰা হৈছে। ইতিহাসৰ ঘটনাক এক সুন্দৰ সাৱলীল ৰূপত উপস্থাপন কৰাত ঔপন্যাসিকা সফল হৈছে বুলিব পাৰি। ২০১২ বৰ্ষত এই গ্ৰন্থখনে সাহিত্য অকাডেমি বঁটা লাভ কৰে। উপন্যাসখনে সাহিত্য অকাডেমি বঁটা লাভ কৰাৰ সময়ত বিতৰ্কৰ সন্মুখীন হৈছিল। তেওঁৰ দ্বিতীয়খন উপন্যাস 'কৌয়ুম'। ‘কৌয়ুম’ প্ৰকাশ পায় ২০১৩বৰ্ষত। এই উপন্যাসখনো বুৰঞ্জীৰ কাহিনীৰ আধাৰতে ৰচিত।

**উপন্যাসৰ বিষয়বস্তু:**

চন্দনা গোস্বামী সৰুৰে পৰা ইতিহাস অধ্যয়নৰ প্ৰতি আকৰ্ষিত আছিল। ‘পাটকাই ইপাৰে মোৰ দেশ’ উপন্যাসখনো বুৰঞ্জীৰ ঘটনাসমূহৰ প্ৰতি থকা একাগ্ৰতা, আকৰ্ষণৰ ফলশ্ৰুতি বুলি ক'ব পাৰি। বুৰঞ্জীৰ চৰিত্ৰসমূহক বাস্তৱ ৰূপ দিয়াৰ এটা প্ৰৱণতা তেওঁৰ মনত গঢ় লৈ উঠিছিল। তেওঁ এটি সাক্ষাৎকাৰত উল্লেখ কৰিছিল যে, নৱম মান শ্ৰেণীত পঢ়ি থাকোতেই বুৰঞ্জীৰ তাওখ্যামটি নামৰ চৰিত্ৰটো মনত কঢ়িয়াই লৈ ফুৰিছিল। তাৰ ফলতেই এই উপন্যাসখনে পৰিপূৰ্ণতা লাভ কৰে। ঔপন্যাসিকাই উপন্যাসখন ৰচনা কৰিবলৈ যাওঁতে ড° সূৰ্যকুমাৰ ভূঞাৰ সাতসৰী অসম বুৰঞ্জীকে ধৰি অন্যান্য কেইবাখনো বুৰঞ্জীক সমল হিচাপে গ্ৰহণ কৰিছিল। উপন্যাসখনৰ কাহিনীৰ সময় ত্ৰয়োদশ-চতুৰ্দশ শতিকা। এই সময়ছোৱাৰ পূৰ্বৰ কামৰূপ ৰাজ্যৰ অৱসান ঘটি ব্ৰহ্মপুত্ৰ উপত্যকাত খণ্ড-বিখণ্ড হৈ বহুকেইখন সৰু-বৰ স্বাধীন-পৰাধীন ৰাজ্যৰ উত্থান ঘটিল। সেই সময়ছোৱাতে ব্ৰহ্মপুত্ৰ উপত্যকাত আহোমসকলৰ প্ৰৱেশ ঘটিছিল। আহোমসকলে অতি কম সময়তে ৰাজ্য বিস্তাৰ কৰি বিভিন্ন জাতি-জনগোষ্ঠীৰ সংস্পৰ্শলৈ আহি এক বৃহত্তৰ জাতি গঠন প্ৰক্ৰিয়াৰ আৰম্ভণি কৰে। শাসনকালতে কেইবাবাৰো তুৰ্কীৰ নৱাবসকলৰ আক্ৰমণ চলিছিল। বাৰে বাৰে বিদেশী আক্ৰমণ, ঘৰুৱা শত্ৰুতাই আহোম ৰাজ্যক থকা-সৰকা কৰিছিল। তাৰ লগতে ৰাজনৈতিক অস্থিৰতা, ৰাজ্যৰ শাসকীয় কূটনীতিয়ে আহোম ৰাজ্যৰ দৃঢ় বান্ধোন সোলোক-ঢোলোক কৰি পেলাইছিল। ঔপন্যাসিকাই ১৩শ শতিকাৰ আৰম্ভণিতে ব্ৰহ্মপুত্ৰ উপত্যকাত সোমোৱা আহোম শাসনকালৰ বহু চৰ্চিত কথা উপেক্ষিত হৈ ৰোৱা বুলি অনুভৱ কৰি এই সময়ছোৱাৰ ঘটনাক এক সাহিত্যিক মূল্যায়ন কৰাৰ কথা অনুভৱ কৰি উপন্যাসখন ৰচনা কৰি উলিয়ায়। তেওঁ উপন্যাসৰ পাতনিতে উল্লেখ কৰিছে যে, এই উপন্যাসখনৰ উদ্দেশ্য কোনো বুৰঞ্জীমূলক তথ্য উদ্ধাৰ বা প্ৰতিষ্ঠাৰ নহয়, মাথোন সকলোৱে জনা-বুজা কথাখিনিয়ে কাহিনীৰ আকাৰত উপস্থাপন কৰা হৈছে। উপন্যাসখনৰ কাহিনীটো আৰম্ভ হৈছে কমতাপুৰৰ ৰজা প্ৰতাপধ্বজৰ ৰাজসভাৰ দৃশ্যৰ মাজেৰে।

## উপন্যাসৰ নামকৰণৰ তাৎপৰ্য:

উপন্যাসখনৰ নামকৰণতো বিশেষ তাৎপৰ্য দেখা যায়। আহোম ৰজা চুডাংফাই নিজ পূৰ্বপুৰুষৰ দেশ নৰা দেশ পোৱাৰ আগতেই পাহাৰৰ এটি মনোমোহা হ্ৰদৰ কাষত ৰৈছিল। নৰা দেশৰ ৰজা আৰু আহোম ৰজাৰ মাজত অতীজৰে পৰা সু-সম্পৰ্ক নাছিল। যিহেতু আহোমসকল চ্যুকাফাৰ নেতৃত্বত নৰা দেশৰ পৰা পাটকাই হৈ অসমলৈ আহিছিল। নৰা ৰজা চুৰুণফা আৰু আহোম ৰজা চুডাংফা যেতিয়া লগ হ'ল তেতিয়াই তেওঁলোকৰ দেশৰ সীমাক লৈ বিবাদ আৰম্ভ হ'ল। শেষত দুয়োজনৰ সিদ্ধান্ত অনুসৰি মিত্ৰতা স্থাপন কৰি পুৰণি শত্ৰুতা পাহৰি সীমা নিৰ্ধাৰণৰ কথাটো ওলাল। তেতিয়াই আহোম ৰজা চুডাংফাই কৈছিল এনেদৰে এই পৰ্বতৰ এই সৰোবৰত। সিপাৰে আপোনাৰ দেশ, ইপাৰে মোৰ (পৃ.৪৫২) তেওঁলোকৰ সিদ্ধান্তমৰ্মে ডইকাউৰং পাহাৰৰ যি সৰোবৰত লগ হৈছিল সেই সৰোবৰক সীমা হিচাপে ৰাখি নাম দিলে নংয়াঙ। নংয়াঙৰ অৰ্থ হ'ল সীমা ইয়াতে আছে। সেই দিনটোৰ পৰা সেই পৰ্বতৰ নাম ‘ডই পাটকাই চেংকান’। ডয় মানে পৰ্বত, পাট অৰ্থাৎ কুকুৰা, কাই অৰ্থাৎ কাটি, চেং অৰ্থাৎ শপত, কান অৰ্থাৎ খালে। চমুকৈ সকলোৱে এই পৰ্বতালানিক বুলিলে পাটকাই। আহোমসকলৰ পূৰ্বপুৰুষসকল নৰাসকলৰ বংশধৰ আছিল। চ্যুকাফাই নিজ নৰা দেশ মুংকং এৰি স্বাধীনচিতীয়া হিচাপে থাকিবলৈ বিচাৰি লগত অসংখ্য প্ৰজা লৈ ঘন পৰ্বত কাটি ডইকাউৰাং পাৰ হৈ অসম দেশ পাইছিলগৈ। আহোম ৰজা চ্যুকাফাৰ বংশধৰৰ আজো নাতি হিচাপে চুডাংফাই নিজ পূৰ্ব বংশধৰৰ ৰাজ্য চোৱাৰ হেঁপাহ কৰি বিশাল পাহাৰ-পৰ্বত, ঘন জংঘল পাৰ হৈ নৰা দেশ পাইছিল। সেয়ে হয়তো ঔপন্যাসিকাই বিচাৰ-বিবেচনা কৰি উপন্যাসখনৰ নাম 'পাটকাইৰ ইপাৰে মোৰ দেশ' ৰাখিলে। উপন্যাসখনৰ কাহিনীত চ্যুকাফাই গঢ়ি থৈ যোৱা আহোম ৰাজ্যৰ উত্থান-পতনৰ কাহিনী সুন্দৰকৈ বিশ্লেষণ কৰাত লেখিকা সফল হৈছে আৰু কাহিনীৰ লগত উপন্যাসৰ নামকৰণ খাপ খাই পৰিছে বুলি ক'ব পাৰি।


## উপসংহাৰ:

উপন্যাসিকাই উপন্যাসৰ পাতনিতে উল্লেখ কৰিছিল যে তেৰশ শতিকাৰ আৰম্ভণিতে আহোমসকলে পাটকাই পাৰ হৈ বৰ্তমানৰ এই উপত্যকাত বিভিন্ন জাতি-জনগোষ্ঠীৰে মিলিত হৈ বসতি আৰম্ভ কৰিছিল। তেতিয়াৰ পৰাই আচলতে অসমৰ জাতি-গঠন প্ৰক্ৰিয়াটোৰো আৰম্ভণি হৈছিল বুলি ক'ব পাৰি। সেই সময়ছোৱাৰ পৰা বহুতো কথা হয়তো সাহিত্যিক মূল্যায়নৰ পৰা উপেক্ষিত হৈ ৰোৱা বুলি ভাবিয়েই চন্দনা গোস্বামীয়ে বুৰঞ্জীমূলক এটি বিশাল অধ্যায়ক এটি কাহিনী আকাৰে সামৰিবলৈ চেষ্টা কৰিছে। এই কাহিনী আগবঢ়াওঁতে সেই সময়ছোৱাৰ সকলো জাতি-জনজাতিৰ ভাষা-সংস্কৃতি, ধৰ্ম সকলো দিশত আলোকপাত কৰিবলৈ যি চেষ্টা ঔপন্যাসিকে কৰিছে সেই ক্ষেত্ৰত তেওঁ সফল হৈছে বুলিব পাৰি। হৈছে বুলিব পাৰি। উপন্যাসখন লিখিবলৈ যাওঁতে তেওঁ যথেষ্ট অধ্যয়ন কৰিছে। কাহিনী বুৰঞ্জীমূলক পটভূমিত ৰচনা কৰাৰ বাবে, কেইবাখনো বুৰঞ্জীক আধাৰ হিচাপে লোৱাৰ বাবে কিছুমান পৰস্পৰ-বিৰোধী তথ্যৰ বাবে ঔপন্যাসিকা বিমোৰত পৰিছিল যদিও যি তুলনামূলকভাবে বেছি গ্ৰহণযোগ্য আছিল সেই তথ্যৰ আধাৰতহে কাহিনী উপস্থাপন কৰিছে। সেই ক্ষেত্ৰত লেখিকাৰ বৌদ্ধিক দিশটোৰ উমান পাব পাৰি। তেওঁৰ প্ৰথম উপন্যাস হিচাপে উপন্যাসত প্ৰয়োগ কৰা ভাষা-শৈলী, কাহিনীৰ উপস্থাপন-শৈলী আদি দিশবোৰ যথেষ্ট উন্নত। তদুপৰি অসমতাত্ত্বিক অধ্যয়নৰ বহুতো সমল এই উপন্যাসখনৰ মাজত সন্নিবিষ্ট হৈ আছে। কাহিনীৰ পটভূমিৰ সময়ছোৱাৰ কমতা ৰাজ্য শাসনকৰ্তাসকলৰ নীতি, পূজা-পাতলৰ নিয়ম, আহোম ৰাজ্যৰ শাসনত বিভিন্ন খেলসমূহৰ সৃষ্টি, সোনোৱালসকলে সোণ কটা পদ্ধতি, ঘৰ নিৰ্মাণ পদ্ধতি, বিভিন্ন জনগোষ্ঠীৰ খেতি কৰাৰ পদ্ধতি, তেওঁলোকৰ ঘৰ নিৰ্মাণ পদ্ধতি, আহোম মুদ্ৰাৰ প্ৰচলন, খাদ্যাভাস, ধৰ্মীয় ব্যৱস্থা আদি বিভিন্ন দিশসমূহৰ আলোচনা কৰাৰ থল এই পাইক প্ৰথা, বজাৰ ব্যৱস্থা, কৰ-কাটলৰ নিয়ম, ফাট বিহুৰ পৰম্পৰা, সাজ-পাৰ উপন্যাসখনৰ মাজত পোৱা যাব। এটা জাতিৰ ইতিহাসৰ এটি সময়ক বিভিন্ন চৰিত্ৰৰ মাজেদি ইমান সুন্দৰকৈ কাহিনী আকাৰে উপস্থাপন কৰাৰ ক্ষেত্ৰত এই উপন্যাসখনে সাহিত্য-অকাডেমিৰ দৰে এটা সন্মানজনক বঁটা লাভ কৰাটো আচলতে সঠিক স্বীকৃতি বুলিব পাৰি। এই আলোচনাত উপন্যাসখনৰ কএৰল বিষয়বস্তু আৰু উপন্যাসৰ নামকৰণৰ তাৎপৰ্য সম্পৰ্কে এক থুলমূল আভাসহে দিবলৈ চেষ্টা কৰা হৈছে। উপন্যাসখনৰ বিভিন্ন দিশসমূহৰ বিস্তৃত অধ্যয়নৰ বাবে এখন বিশাল ক্ষেত্ৰ পৰি আছে বুলিব পাৰি।

সহায়ক গ্ৰন্থ: গোস্বামী, চন্দনা, পাটকাই ইপাৰে মোৰ দেশ, চন্দ্ৰ প্ৰকাশ, অষ্টম প্ৰকাশ, ডিচেম্বৰ, ২০১৫
আলোচনী: বৰা, লক্ষ্মীনন্দন (সম্পা.). গৰীয়সী, ফেব্ৰুৱাৰী সংখ্যা, ২০১৩

**ড° পল্লৱী সন্দিকৈ**
**সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, খোৱাং মহাবিদ্যালয়**

# চিত্রকলা



**Jayeeta Sonowal**
**Ba 1st Sem**
**Department of Economics**




***Sarbalata Haldar***
***Ba 3rd Sem***
***Department of English***



***Jayeeta Sonowal***
***Ba 1st Sem***
***Department of Economics***



***Diya Dey***
***Ba 1st Sem***
***Department of Education***




*Binita Benerjee*
*Ba 5th Sem*
*Department of English*



# বীণাপাণি
# ছাত্ৰী জিৰণি কোঠাৰ আলোচনী









# মহাবিদ্যালয় সপ্তাহ উপলক্ষে আয়োজিত প্ৰতিযোগিতাসমূহৰ কেইখনমান স্থিৰচিত্ৰ

## *A) Mehendi Competition*



# B)Embroidery Competition





# C)Salad Competition











# D)Ethinic Food Compeition









# D)Rangoli Competition










**Concept & Design:**
E-Magazine Editorial Team

**KHOWANG COLLEGE**
*Khowang Ghat, 785676*
*E-mail: principalkhowangcollege@gmail.com*
*https://www.khowangcollege.edu.in/*